সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

৩০ বছৰ, ১৮ সংখ্যা, ২২ বহাগ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.18 Date Of Publication - 5 May 2024 Rs.10.00/-

## গুৱাহাটীৰ গণেশপাৰা, ফাঁচীবজাৰ আৰু চানমাৰিত ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী সভা

ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ গণেশপাৰা, ফাঁচীবজাৰ আৰু চানমাৰিত বিশাল নিৰ্বাচনী সভা সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা-অসমৰ নিচিনা শান্তিপূৰ্ণ ৰাজ্য ভাৰতৰ ক'তো নাই। যোৱা তিনি বছৰত অসমীয়া-বাঙালী, হিন্দীভাষীৰ মাজত কাজিয়া নোহোৱা হ'ল। এপ্ৰিল মাহত সৰ্বাধিক ২৫ শতাংশ জিএছটি সংগ্ৰহ হ'ল অসমত। ইয়াৰ অৰ্থ হ'ল অসমত ব্যৱসায় বাঢ়িছে। গুৱাহাটী সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ সমৰ্থনত গুৱাহাটীৰ গণেশপাৰাত বিজয় সংকল্প সমাৰোহক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অহা ১০ মে'ত মুখ্যমন্ত্ৰী হিচাপে মই তিনি বছৰ সম্পূৰ্ণ কৰিম। যোৱা এই তিনি বছৰত অসমত ক'তো বোমা বিস্ফোৰণ হোৱা নাই, গুলী-বাৰুদ ফুটা নাই। অসমীয়া-বাঙালী আৰু হিন্দীভাষীৰ মাজত কাজিয়া হোৱা নাই। এই সময়ছোৱাত যুৱক-যুৱতীসকলে চৰকাৰী চাকৰি পাইছে, ছেমিকণ্ডাক্টৰৰ দৰে নতুন উদ্যোগ আহিছে, ৰাস্তাঘাট-ফ্লাইঅভাৰ নিৰ্মাণ হৈছে। কংগ্ৰেছে সাধাৰণ ৰাইজক ধুতী-কম্বল-লুঙী-টুপী-সূতা-কম্বলেৰে পঞ্চঅমৃত খুৱাইছিল। কিন্তু বিজেপিয়ে যুৱক-যুৱতীসকলে যাতে কৰ্মসংস্থাপন পায়, উদ্যোগীকৰণ হয়, নিশালৈ যাতে বেপাৰ-বাণিজ্য চলে সেই দিশত



কাম কৰি আহিছে। এক লাখ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিলে এটকাও ঘোচ নিদিয়াকৈ। পুনৰ ৫০ হাজাৰ পদত নিযুক্তি দিয়া হ'ব। মুখ্যমন্ত্ৰীয়ে এই নিৰ্বাচনী সভাতে পাহাৰত থকা লোকসকলে যাতে মাটিৰ পট্টা লাভ কৰে, সেই দিশত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও ঘোষণা কৰে। আনহাতে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত যিসকল পৰিয়ালৰ ঘৰত এটাও চৰকাৰী চাকৰি নাই, তেনে পৰিয়ালৰ চাকৰিৰ প্ৰাৰ্থীক মৌখিক পৰীক্ষাত ১০ শতাংশ নম্বৰ প্ৰদান কৰা হ'ব বুলিও উল্লেখ কৰে। অৰুণোদয় আঁচনিৰ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে নিৰ্বাচনৰ পিছত সকলো পৰিয়ালকে অৰুণোদয় দিয়া হ'ব। তদুপৰি বন্ধ হৈ থকা আধাৰ কাৰ্ডৰ সমস্যা অহা ছমাহৰ ভিতৰত চৰকাৰে সমাধান কৰিব। গুৱাহাটীৰ যিসকল পৰিয়ালৰ ৰেচন কাৰ্ড নাই, তেওঁলোকে আবেদন কৰিলে ৰেচন কাৰ্ড পাব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়- বাল্যবিবাহৰ বিৰুদ্ধে মই দীৰ্ঘসময়ৰ পৰা কৈ আহিছোঁ। ছোৱালীসকলে এতিয়া পঢ়া-শুনা কৰিব লাগে। যাৰ বাবে মহাবিদ্যালয়ত নামভৰ্তি সম্পূৰ্ণ বিনামূলীয়া কৰা হৈছে। মেট্ৰিকৰ পাছত এগৰাকী ছোৱালীৰ পঢ়াৰ খৰচৰ বাবদ ১০ হাজাৰ টকা, উচ্চতৰ মাধ্যমিকত পঢ়িলে ১২,৫০০ আৰু বিশ্ববিদ্যালয়ত পঢ়িলে ২৫ হাজাৰ টকা দিয়া হ'ব। লাখপতি বাইদেউ আঁচনিৰ নামতো মহিলাসকলক ১০ হাজাৰ টকাকৈ দিয়া হ'ব। মুখ্যমন্ত্ৰীয়ে ১ লাখ আই-মাতৃক চৰকাৰী খৰছত ৰাম মন্দিৰ দৰ্শনৰ বাবে নিয়াৰ আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে পুনৰ কয় যে দেশত শান্তি আহিলে আটাইতকৈ লাভৱান হয় সাধাৰণ লোক। বিগত সময়ছোৱাত বড়ো, কাৰ্বি সংগঠনৰ সৈতে চুক্তি হোৱাৰ লগতে আলফাৰ সৈতে আলোচনা হৈছে। (তিনিপৃষ্ঠাত চাওক)

## ঝাৰখণ্ডৰ পালামু আৰু গুমলাত বিশাল নিৰ্বাচনী সভা সম্বোধন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ



ৰঙিলী বাৰ্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঝাৰখণ্ডৰ পালামু আৰু গুমলাত বিশাল নিৰ্বাচনী সভা সম্বোধন কৰে। এই নিৰ্বাচনী সভাতে দেশৰ প্ৰধান বিৰোধী দল কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছৰ দুৰ্বল চৰকাৰে সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত বিশ্বত কান্দি ফুৰিছিল বুলি বিস্ফোৰক অভিযোগ কৰে। প্ৰথম আৰু দ্বিতীয় পৰ্যায়তকৈ অধিক আক্ৰমণাত্মক হৈ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছৰ শাসনকালৰ দুৰ্বলতাক কঠোৰ ভাষাৰে সমালোচনা কৰি কয়- কংগ্ৰেছ চৰকাৰৰ সময়ত সন্ত্ৰাসবাদীয়ে বোমা বিস্ফোৰণ, গুলীচালনা কৰে আৰু (দহ পৃষ্ঠাত চাওক)

## ধুবুৰীবাসীক বদৰুদ্দিন আজমলে অকল ভুৱা প্ৰতিশ্ৰুতিহে দিলেঃ সৰ্বানন্দ সোণোৱাল

ৰঙিলী বাৰ্তাসেৱা- ৭ মে'ত অনুষ্ঠিত হ'ব লগা তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে গৌৰীপুৰৰ মহামায়া খেলপথাৰত বিজেপি মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী জাবেদ ইছলামৰ হৈ এখন নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ভাৰতীয় জনতা পাৰ্টী, অগপ, ইউপিপিএল মিত্ৰজোঁটৰ ধুবুৰী লোকসভাৰ প্ৰাৰ্থী জাবেদ ইছলামৰ হৈ নিৰ্বাচনী জনসভাত অংশগ্ৰহণ কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ধুবুৰী লোকসভাৰ উন্নয়নৰ বাবে কংগ্ৰেছ নাইবা এআইইউডিএফৰ সাংসদে দীৰ্ঘবছৰে কোনো কামেই নকৰিলে। ১৫ টা বছৰে ধুবুৰীৰ সাংসদ হিচাপে এআইইউডিএফৰ নেতা বদৰুদ্দিন আজমলে ধুবুৰী লোকসভাবাসীক অকল ভুৱা প্ৰতিশ্ৰুতিহে দিলে। সাংসদ পুঁজিৰ




কামতো আজমলে ১৫ টা বছৰে ব্যাপক অনিয়ম আৰু দুৰ্নীতিত লিপ্ত হৈছিল। কিন্তু নৰেন্দ্ৰ মোদী দেশৰ - প্ৰধানমন্ত্ৰী হোৱাৰ পিছৰে পৰা ধুবুৰী জিলাৰ উন্নয়নৰ ক্ষেত্ৰত বহুখিনি কাম কৰিলে। ধুবুৰী-ফুলবাৰী দলং নিৰ্মাণৰ (দহ পৃষ্ঠাত চাওক)

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ

WhatsApp - 9854215286

Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।

Do follow us on Facebook, Twitter and Instagram as - rongilibarta

# ভাৰতীয় জনতা পাৰ্টী অসম প্ৰদেশৰ সংবাদ মেল




ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ বৈশিষ্টস্থিত ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশ ৰাজ্যিক মুখ্য কাৰ্য্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত কালি এখন সংবাদমেল অনুষ্ঠিত হৈ যায়। উক্ত সংবাদমেলত বিজেপি অসম প্ৰদেশৰ মুখ্য মুখপাত্ৰ ৰঞ্জিৱ শৰ্মা, ৰাজ্যিক বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি সিদ্ধাঙ্কু অংকুৰ বৰুৱা তথা ৰাজ্যিক সংবাদ বিভাগৰ আহ্বায়ক দেৱান ধ্ৰুৱজ্যোতি মৰল আদিকে প্ৰমুখ্যে দলৰ অন্যান্য কৰ্মকৰ্তা উপস্থিত থাকে। মূলত ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশৰ পৰা প্ৰকাশ কৰা মাহেকীয়া আলোচনী অসমীয়া বিজেপি বাৰ্তা মে' মাহৰ সংখ্যা উন্মোচন কাৰ্যসূচী অনুষ্ঠিত হয়। বিজেপি যুৱ মৰ্চাৰ সভাপতি সিদ্ধাঙ্কু অংকুৰ বৰুৱাই বিজেপি বাৰ্তাখন উন্মোচন কৰি দিয়া ভাষণত কয় যে বিজেপি দল হ'ল এটা কেদাৰ বেচিছ দল। কোনো ব্যক্তি বিশেষৰ কথাত নচলে সকলো দলৰ আলোচনা ও সিদ্ধান্ত মৰ্মে চলা দল হয়। সেই বাবে আজি বিশ্বৰ সৰ্বাধিক ডাঙৰ ৰাজনৈতিক দল হিচাপে পৰিগণিত হৈছে বিজেপি। এই বিজেপি যেতিয়াৰ পৰা ভাৰতবৰ্ষৰ শাসনলৈ আহিলে তেতিয়াই আমাৰ দেশ বহু দূৰলৈ আগবাঢ়ি গল। আজি ভাৰত বিশ্ব গুৰুৰ আসন লবলৈ আগবঢ়িছে। সেয়ে আমি সকলোৱে বিজেপিৰ পক্ষত থাকি কাম কৰিব লাগে সেয়া জনসাধাৰণৰ প্ৰতি আমাৰ আহ্বান থাকিল।

# দুৰ্বৃত্তৰ আক্ৰমণত আহত খিতেই কাই খ্যাত অভিনেতা দ্বীপজ্যোতি ডেকা



ৰঙিলী বাৰ্ত্তাসেৱা- মঙলদৈত দুৰ্বৃত্তৰ আক্ৰমণত গুৰুতৰভাৱে আহত ভঙা টিভি তথা খিতেই কাই খ্যাত অভিনেতা দ্বীপজ্যোতি ডেকা। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, ভাঙা টিভি চেনেলটোৰ জৰিয়তে জনপ্ৰিয়তা অৰ্জন কৰা খিতেই কাই খ্যাত দ্বীপজ্যোতিক দুৰ্বৃত্তই কাঁচৰ বটলেৰে মূৰত আৰু হাতত বেয়াকৈ আঘাত কৰে। দুৰ্বৃত্তৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা অভিনেতা গৰাকীক তাৎক্ষণিকভাৱে মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। পৰৱৰ্তী সময়ত নিশাৰ ভিতৰতে উন্নত চিকিৎসাৰ বাবে দ্বীপজ্যোতিক বাইহাটা চাৰিআলিৰ চিগনাচ হাস্পতালত ভৰ্তি কৰে। হাস্পতালখনৰ আইচিইউত ভৰ্তি কৰোৱা হয় ইউটিউবাৰ তথা কৌতুক অভিনেতাজনক। হাস্পতাল কৰ্তৃপক্ষই জনোৱা মতে তেওঁ সম্প্ৰতি বিপদমুক্ত। অৱশ্যে দুই-তিনিদিন হাস্পতালতে থাকি চিকিৎসকৰ পৰামৰ্শ ল'ব লাগিব। কিন্তু কি কাৰণত দুৰ্বৃত্তই দ্বীপজ্যোতি ডেকাক প্ৰহাৰ কৰিলে সেয়া এতিয়াও সন্দেহৰ আৱৰ্তত। মঙলদৈ আৰক্ষীয়ে ইতিমধ্যে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ তদন্তত হে সকলো তথ্য পোহৰলৈ আহিব। ইফালে এই ঘটনাটোক লৈ মঙলদৈ অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।

# পশ্চিমবংগত বিশাল নিৰ্বাচনী সমাৱেশ সম্বোধন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিমবংগত লোকসভা নিৰ্বাচন উপলক্ষে বৰ্ধমান, কৃষ্ণনগৰ আৰু ৰাণাঘাটত আয়োজিত বিশাল নিৰ্বাচনী সমাৰেশ সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শাসকীয় তৃণমূল কংগ্ৰেছৰ লগতে দেশৰ প্ৰধান বিৰোধী দল কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লয়। অভিলেখসংখ্যক মহিলাৰ উপস্থিতি থকা সমাৱেশ সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ চৰকাৰ আৰু কংগ্ৰেছক কঠোৰ ভাষাৰে সমালোচনা কৰে। বিজেপিৰ প্ৰাৰ্থীক ভোটদানৰ আহ্বান জনাই প্ৰধানমন্ত্ৰী মোদীয়ে

(দহ পৃষ্ঠাত চাওক)

# বিজুলী ভৱনত ভয়ংকৰ অগ্নিকাণ্ড



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ পল্টন বজাৰস্থিত বিজুলী ভৱনত সংঘটিত হৈছে এক ভয়ংকৰ অগ্নিকাণ্ড। চাৰি শতাধিক কৰ্মচাৰীয়ে কাম কৰি থকাৰ মাজতে বিয়লি প্ৰায় চাৰি বজাত বিদ্যুৎ বিভাগৰ মুখ্য কাৰ্যালয় ভৱনটোৰ দ্বিতীয় মহলাত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। নিমিষতে জুইৰ লেলিহান শিখাই বিজুলী ভৱন ছানি ধৰে আৰু কাৰ্যালয়টোৰ কৰ্মচাৰীসকলৰ মাজত হাহাকাৰ লাগে। বিয়লি প্ৰায় ৩.৪৫ বজাত বিজুলী ভৱনৰ দ্বিতীয় মহলাৰ এটা কোঠালিত জুই জ্বলি উঠাৰ পিছত কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীসকল দৌৰি বাহিৰলৈ ওলাই আহি আত্মৰক্ষা কৰে। অগ্নিকাণ্ডৰ কিছুসময় পিছতেই ঘটনাস্থলীত আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ দল উপস্থিত হৈ প্ৰায় এঘণ্টা চেষ্টা চলাই জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। ইফালে অগ্নিনিৰ্বাপক বাহিনীৰ লোক উপস্থিত হোৱাৰ পূৰ্বেই দ্বিতীয় মহলাৰ পৰা ষষ্ঠ মহলালৈ জুই বিয়পি পৰে। বিজুলী ভৱনত সংঘটিত অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ পোহৰলৈ অহা নাই যদিও বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ বাবেই অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটা বুলি বিজুলী ভৱনৰ কৰ্মচাৰীসকলে সন্দেহ ব্যক্ত কৰে। বিজুলী ভৱনত সংঘটিত এই অগ্নিকাণ্ডত কোনো বিষয়া-কৰ্মচাৰী হতাহত হোৱা নাই যদিও কাৰ্যালয়টোৰ বহু গুৰুত্বপূৰ্ণ নথিপত্ৰ জ্বলি ছাই হয়।

# ভোটাৰক আকৰ্ষণ কৰিবলৈ ৰিলায়েন্সৰ লগত অসমৰ নিৰ্বাচনী বিষয়াৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- অহা ৭ মে'ত অসমত অনুষ্ঠিত হ'ব অসমৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচন। ভোটদানৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি দেশত শক্তিশালী গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে প্ৰথম দুটা পৰ্যায়ৰ সফল নিৰ্বাচনৰ পিছত তৃতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনত এশ শতাংশ ভোটদান সুনিশ্চিত কৰাৰ লক্ষ্যৰে অসমত SVEEP ৰ অন্তৰ্গত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মহানগৰবাসীৰ প্ৰাত্যহিক ব্যস্ততাৰ মাজত কোনো ভোটাৰে যাতে ভোটাধিকাৰ সাব্যস্ত কৰাৰ পৰা বিৰত নাথাকে সেই লক্ষ্য আগত ৰাখি SVEEP ৰ অন্তৰ্গত গুৱাহাটীৰ ৰিলায়েন্স শ্ব'পিং মলৰ বিষয়াসকলৰ লগত অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ এখন বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত দেশৰ খুচুৰা বজাৰখনৰ এক বৃহৎ অংশীদাৰ হিচাপে ৰিলায়েন্সক 'নিৰ্বাচনৰ পৰ্ব দেশৰ গৰ্ব' উৎসৱত সমৰ্পিত কৰিবলৈ অসমৰ মুখ্য

(দহ পৃষ্ঠাত চাওক)

স্থিত থাকে।



# বেঁকী নৈত গা ধুবলৈ গৈ তিনিজন যুৱকৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ নাৰায়নগুৰিত এক অঘটন সংঘটিত হৈছে। বেঁকী নৈত গা ধুবলৈ গৈ তিনি যুৱকৰ মৃত্যু। বৰপেটাৰোডৰ পৰা বুধবাৰে বিয়লিৰ ভাগত একে পৰিয়ালৰ দুই ভাতৃসহ আন এজন বন্ধু গা ধুবলৈ গৈছিল। কিন্তু দুই ভাতৃৰ লগতে বন্ধুজন বেঁকীৰ বুকুত নিখোজ হৈ পৰে। বৃহস্পতিবাৰে পুৱাৰ ভাগত বেঁকী নৈৰ পানীত ওপঙি থকা অৱস্থাত ৰাজ সাহা নামৰ যুৱকজনৰ মৃতদেহ উদ্ধাৰ হয়। জানিব পৰা মতে, বৰপেটাৰোডৰ দুই ভাতৃ দ্বীপ সাহা, ৰাজ সাহা আৰু বন্ধু অভিজিৎ কৰ্মকাৰ একেলগে আহিছিল মানাহ ৰাষ্ট্ৰীয় উদ্যান ফুৰিবলৈ। প্ৰচণ্ড গৰমৰ বাবে তিনিওজনে বেঁকী নৈত গা ধুবলৈ নামিছিল। গা ধুই থাকোতে হঠাৎ তিনি যুৱক বেঁকী নৈৰ দ' পানীত সন্ধানহীন হৈ পৰে। তিনিওগৰাকী যুৱকৰ ঘৰ বৰপেটাৰোডৰ কৃষ্ণ নগৰত বুলি জানিব পৰা গৈছে। মে' দিবসৰ বন্ধ হোৱা হেতুকে তিনি বন্ধুৱে AS-15L 5825 নম্বৰৰ বাহনেৰে মানাহ ৰাষ্ট্ৰীয় উদ্যানত গৈছিল। মৃতদেহ উদ্ধাৰ হোৱা ৰাজ সাহা পেছাত এজন ফটোগ্ৰাফাৰ আছিল। দ্বীপ সাহা পাঞ্জাৱ নেচনেল বেংকৰ কৰ্মচাৰী আছিল। আনহাতে অভিজিৎ কৰ্মকাৰ জুৱেলাৰীৰ কৰ্মচাৰী আছিল। এই কৰুণ ঘটনাৰ পাচতেই পৰিয়ালৰ লোকসকল শোকত ভাগি পৰিছে। লগতে সমগ্ৰ বৰপেটাৰোডত শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে।

# চিৰাঙত অভিযান চলাই ৩ জন কেএলঅ' সদস্য আটক



ৰঙিলী বাৰ্তাসেৱা- নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ভয়ংকৰ কুটাঘাতমূলক ঘটনাৰ পৰা ৰক্ষা পৰিল বাসুগাঁও অঞ্চল। তথ্য অনুসৰি চিৰাঙৰ বাসুগাঁৱত আৰক্ষীয়ে অভিযান চলাই ৩ জন কেএলঅ' সদস্য আটক কৰে। ধৃত কেএলঅ' সদস্যৰ তথ্যৰ ভিত্তিত অভিযানকাৰী দলটোৱে কচুদোলাৰ চম্পা নৈৰ পাৰত বালিত পুতি থোৱা অৱস্থাত বোমা উদ্ধাৰ কৰে। আৰক্ষীয়ে আটক কৰা সদস্য কেইজন ক্ৰমে বাসুগাঁও চহৰৰ হেকেইপাৰাৰ ৰবীন বৰ্মণ ওৰফে লংকেশ্বৰ কোচ ওৰফে লম্বু, কোকৰাঝাৰ জিলাৰ গোসাইগাঁৱৰ উৎপল ৰায় ওৰফে পঙ্কজ কোচ আৰু বঙাইগাঁও জিলাৰ নয়টামাৰা প্ৰথম খণ্ডৰ ধনঞ্জয় বৰ্মন। উল্লেখ্য যে এক গোপন সুত্ৰৰ তথ্যৰ ভিত্তিত বাসুগাঁও চহৰৰ ষ্টেচনৰোডৰ এখন হোটেলৰ পৰা বাসুগাঁও থানাৰ আৰক্ষীয়ে অভিযান চলাই এই তিনিজন কেএলঅ' সদস্য আটক কৰিছিল।

# ১৪ খন আসনতে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিবঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্তাসেৱা- এআইইউডিএফৰ সভাপতি বদৰুদ্দিন আজমলৰ দুৰ্গ ধুবুৰী লোকসভাত অগপ তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী জাবেদ ইছলামৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি কয় যে অসমৰ লোকসভাৰ ১৪ খন আসনৰ ভিতৰত ১৪ খনতে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ধুবুৰী লোকসভাৰ ছবিখনো ক্ৰমাৎ স্পষ্ট হৈ আহিছে। অহা ৬ মে' ৰ গধুলিলৈ সমগ্ৰ ছবিখন স্পষ্ট হৈ পৰিব। ধুবুৰী লোকসভাত এআইইউডিএফ আৰু কংগ্ৰেছৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতা হ'ব। তিনিকোণীয়া প্ৰতিদ্বন্দ্বিতাত অগপ জয়ী হোৱাৰ সম্ভাৱনাই প্ৰবল। আনহাতে ধুবুৰীত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে অসমত মাফিয়াগিৰি চলি আছে বুলি কৰা মন্তব্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰিয়ংকা গান্ধীয়ে কংগ্ৰেছৰ শাসন দেখা নাই। ইয়াত কি মাফিয়াগিৰি আছে বুলি প্ৰিয়ংকা গান্ধীক উভতি ধৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমত এতিয়া বোমা বিস্ফোৰণ নাই, গুলী নাই, আলফা নাই, এনডিএফবি নাই। ইয়াত 'কৌন চা মাফিয়াগিৰি' আছে? অকল ৰকিবুল হুছেইনৰ মাফিয়াগিৰি আছিল। প্ৰিয়ংকা গান্ধীয়ে তেওঁৰ ভাষণত গঁড় হত্যাৰ কথা নক'লে। ধুতী- লুঙীৰ কথা তেওঁ নক'লে। এই প্ৰসংগতে মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয় যে বিনা পইচাত চাকৰি পোৱাটো যদি মাফিয়াৰাজ হয়, ৩০ লাখ পৰিয়ালে অৰুণোদয় পোৱাটো যদি মাফিয়াৰাজ হয়, তেতিয়াহ'লে মানুহক (দহ পৃষ্ঠাত চাওক)

# গুৱাহাটীৰ গণেশপাৰা

৯০ শতাংশ আলফা সদস্য মূলসুঁতিলৈ ঘূৰি আহিছে। যাৰ ফলত ৰাতি ১২ বজালৈ ব্যৱসায়- বাণিজ্য সুস্থিৰভাৱেই চলি আছে। এই পৰিৱেশ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমাক দিছে। যোৱা সময়ছোৱাত ২৭ বাৰকৈ অসমলৈ আহিছে প্ৰধানমন্ত্ৰী মোদী। অসমত এনে এখন জিলা নাই, য'লৈ প্ৰধানমন্ত্ৰী যোৱা নাই। অসমৰ গামোচা ডিভিত লৈ দেশে-বিদেশে ঘূৰা নৰেন্দ্ৰ মোদী এতিয়া অসমীয়া গামোচাৰ ব্ৰেণ্ড এম্বেছাডৰ হৈছে। এটা সময় আছিল কাজিৰঙাত সঘনে গঢ় মৰিছিল। ৰকিবুল হুছেইনৰ দিনত গঁড়সমূহ মাৰি শেষ কৰা হৈছিল। কিন্তু মোদীৰ নেতৃত্বত চৰকাৰ গঠনৰ পাছতে গঁড় নিধন বন্ধ হ'ল। কাজিৰঙাত নিশা কটাই প্ৰধানমন্ত্ৰী মোদীয়ে দেশ-বিদেশৰ পৰ্যটকক কাজিৰঙালৈ আমন্ত্ৰণ জনালে। এইবাৰ প্ৰধানমন্ত্ৰীক মাজুলীত নিশা কটাবলৈ অনুৰোধ জনাম। ইয়াৰ পিছতে ফাঁচীবজাৰত নিৰ্বাচনী সভা সম্বোধন কৰি তেওঁ কয় যে অসমত যে ব্যৱসায়-বাণিজ্য বাঢ়িছে, সেয়া এপ্ৰিল মাহত সৰ্বাধিক ২৫ শতাংশ জিএছটি সংগ্ৰহে স্পষ্ট কৰিছে। তেওঁ কয়- অসম তথা গুৱাহাটীৰ পৰিৱেশ এতিয়া যথেষ্ট সলনি হ'ল। অসম আন্দোলনৰ পৰাই আমি গুলী-বাৰুদ, বোমা বিস্ফোৰণ দেখি আহিছোঁ। কিন্তু এতিয়া সেই পৰিৱেশ নাই। গুৱাহাটী বন্ধ, অসম বন্ধও নোহোৱা হৈ পৰিছে। মুখ্যমন্ত্ৰীয়ে কয় নিৰ্বাচনী সভাৰ বাবে মই ৰাজ্যত ১০৫ টা সমষ্টিলৈ গৈছোঁ। কিন্তু এইবাৰ লোকসভা নিৰ্বাচনক লৈ ৰাইজৰ কিমান উৎসাহ পূৰ্বে কেতিয়াও দেখা নাই। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গুৱাহাটীত উলিওৱা ৰোড শ্ব'ত ডেৰ লক্ষাধিক লোক উপস্থিত আছিল। মানুহৰ উৎসাহ দেখিছোঁ। সকলোতকৈ ডাঙৰ বিষয়টো হ'ল- এতিয়া অসমত সকলো সম্প্ৰদায়ৰ লোক মিলিজুলি থাকে। এতিয়া কোনেও অসমীয়া, বাঙালী, হিন্দীভাষী বুলি নকয়। এনেধৰণৰ কাহিনী আৰু কেতিয়াও অসমত সৃষ্টি নহয়। সকলোৱে অসমৰ উন্নয়নৰ বাবে অৰিহণা যোগাইছে। এই পৰিৱেশ নৰেন্দ্ৰ মোদীয়ে সৃষ্টি কৰিছে। পূৰ্বে দেশলৈ সোমাই আহি বিস্ফোৰণ, গুলী চলাইছিল। কিন্তু নৰেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হোৱাৰ পাছত পাকিস্তানৰ ভিতৰত সোমাই গৈ প্ৰত্যুত্তৰ হিচাপে বিস্ফোৰণ ঘটালে।

# চছল যুৱক সংঘৰ ৩৯ তম বাৰ্ষিক বৃহত্তৰ চছল ব'হাগী উৎসৱ সফল সামৰণি

ৰঙিলী বাৰ্তাসেৱা- চছল যুৱক সংঘৰ সৌজন্যত ৩৯ সংখ্যক বাৰ্ষিক বৃহত্তৰ চছল ব'হাগী উৎসৱ ২০২৪ দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে সামৰণি পৰে। উদযাপন সমিতিৰ বিষয়-ববীয়া সকল ক্ৰমে সভাপতি দেৱানন্দ টেৰণ, উপ-সভাপতি গোবিন্দ তুমুং, লুটফুৰ ৰহমান, জয়ন্ত টেৰণ, ঈষাণ বড়ো, সাধাৰণ সম্পাদক মোহন টেৰণ আৰু সাংস্কৃতিক সম্পাদক ধৰ্মেন্দ্ৰ টেৰণ, সহ-সম্পাদক মনোজ কুমাৰ ৰায়, বিত্ত সম্পাদকদ্বয় জ্যোতি ৰায় আৰু সুমত বৰ্মন, সহ-সাংস্কৃতিক সম্পাদক সঞ্জয় টেৰণ তথা সমিতিৰ প্ৰতিজন সদস্যৰ অতি পৰিশ্ৰম আৰু ত্যাগৰ ফল স্বৰূপে দুয়োটি নিশাৰ অনুষ্ঠান সফল ৰূপায়ন হয়। মুখ্য পৃষ্ঠপোষকদ্বয় মুকুল শৰ্মা আৰু



অমল তালুকদাৰ আদি ব্যক্তিৰ বিশেষ সহযোগিতাত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান বিশেষকৈ অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ আকৰ্ষণীয় নৃত্যশৈলী অনুষ্ঠান, জেং বিহু, কাৰ্বি দোমাহি কিকান আদি নৃত্যই উপস্থিত সকলোকে আপ্লুত কৰে। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত প্ৰয়াত ৰূপেশ্বৰ পাটৰ, মুকুল টেৰণ, প্ৰশান্ত ক্ৰ' আৰু পাৰুল বৰ্মন কলিতাৰ সোঁৱৰণি মঞ্চ বন্তি প্ৰজ্বলনেৰে মুকলি কৰে গুৱাহাটী পৌৰ নিগমৰ পাৰিষদ অসীম কুমাৰ শইকীয়াই। উক্ত সাংস্কৃতিক অনুষ্ঠানত বহু কেইজন বিশিষ্ট ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। প্ৰথম দিনা বিভিন্ন পৰম্পৰাগত খেল-ধেমালী, চিত্ৰাংকন প্ৰতিযোগিতা, আধুনিক নৃত্য প্ৰতিযোগিতা, (দহ পৃষ্ঠাত চাওক)

# নুনমাটিৰ শালবাৰীত বৰ্ণিল কাৰ্যসূচীৰে ৰঙালী বিহু সন্মিলন সম্পন্ন

ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ নুনমাটিৰ সমীপৰ ৩৯ সংখ্যক শালবাৰী আঞ্চলিক ৰঙালী বিহু সন্মিলন বৰ্ণিল কাৰ্যসূচীৰে কালি নিশা সামৰণি পৰে। কাৰ্যসূচী অনুযায়ী ২৭ এপ্ৰিলৰ পুৱা ৮.৩০ বজাত বিহু পতাকা উত্তোলন কৰি অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ কমল কলিতাই কয়- অপ-সংস্কৃতিয়ে ছানি ধৰিছে যদিও বিহুৰ স্বকীয়তা অসমীয়া জাতিয়ে কেতিয়াও নিঃশেষ হ'বলৈ নিদিয়ে, ই মাথোঁ সাময়িকহে। ইয়াৰ পিছত ক্ৰমে শ্বহীদ তৰ্পণ কৰে ক্ৰীড়া সংগঠক অমল নাৰায়ণ পাটোৱাৰীয়ে, সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে সমাজসেৱক মহেন্দ্ৰ ভাগৱতীয়ে, খেল-ধেমালী প্ৰতিযোগিতা উদ্বোধন কৰে অধিবক্তা বিল্লাল হুছেইনে। বিয়লি ২ বজাত



অনুষ্ঠিত আধুনিক নৃত্য প্ৰতিযোগিতাত ৬২ গৰাকী নৃত্য শিল্পীয়ে অংশ গ্ৰহণ কৰি বৰ্ণময় পৰিবেশ সৃষ্টি কৰে । সন্ধ্যা ৭ বজাৰ সাংস্কৃতিক সন্ধিয়াৰ বন্তি প্ৰজ্বলন কৰে সমাজসেৱক অশোক চন্দ্ৰ তালুকদাৰে আৰু মঞ্চ উদ্বোধন কৰে সাহিত্যিক ৰত্নেশ্বৰ বসুমতাৰীয়ে। ২৮ এপ্ৰিলৰ পুৱা ৯ বজাত চিত্ৰাংকণ প্ৰতিযোগিতা উদ্বোধন কৰে চন্দ্ৰপ্ৰভা বৰুৱাই, (দহ পৃষ্ঠাত চাওক)

# গুৱাহাটীত এবিভিপিৰ ব্যক্তিত্ব বিকাশ শিবিৰৰ সামৰণি

ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ,ব্ৰহ্মপুত্ৰ জিলা (গুৱাহাটী মহানগৰ) ৰ উদ্যোগত গুৱাহাটী মহানগৰীৰ চান্দমাৰীস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত সাতদিনীয়াকৈ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে অনুষ্ঠিত ব্যক্তিত্ব বিকাশ শিবিৰৰ সামৰণি পৰে। ২৪ এপ্ৰিল পৰা ৩০ এপ্ৰিল ২০২৪ লৈ অনুষ্ঠিত হোৱা এই



শিবিৰত প্ৰতিদিনে বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি ছাত্ৰ ছাত্ৰীসকলৰ আগত নিজৰ নিজৰ বিষয়ৰ (দহ পৃষ্ঠাত চাওক)

# কলাক্ষেত্ৰত প্ৰয়াস কলাকেন্দ্ৰৰ 'নৃত্য উৎসৱ ২০২৪'



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ প্ৰয়াস কলাকেন্দ্ৰই বিগত বৰ্ষৰ দৰে এইবাৰো বিশ্ব নৃত্য দিৱসৰ লগত সংগতি ৰাখি ২৮ এপ্ৰিলত আয়োজন কৰে 'নৃত্য উৎসৱ ২০২৪' ৰ। মহানগৰীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত এই নৃত্যানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সত্ৰীয়া নৃত্য ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে পদ্মশ্ৰী ঘনকান্ত বৰা বৰবায়ন আৰু নৃত্যগুৰু ৰামকৃষ্ণ তালুকদাৰক 'শ্ৰেষ্ঠ শ্ৰী কলানিধি' সন্মানেৰে সন্মানীত কৰা হয়। অৱশ্যে শাৰীৰিক অসুস্থতাৰ বাবে পদ্মশ্ৰী ঘনকান্ত বৰা বৰবায়ন উক্ত (দহ পৃষ্ঠাত চাওক)

# সদৌ গুৱাহাটী চাফাই কৰ্মচাৰীৰ সংবাদ মেল




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাবত সদৌ গুৱাহাটী চাফাই কৰ্মচাৰীয়ে এখন সংবাদ মেল অনুষ্ঠিত হয়। উক্ত সংবাদ মেলত তেওঁলোকে কয় কালি চাফাই কৰ্মীৰ স্বয়ম্ভু নেতা ভীম বাস্ফৰে সাংবাদিকৰ আগত যিবোৰ মন্তব্য কৰিছিল তাক ধিক্কাৰ দি কয় যে গুৱাহাটীৰ হৰিজন লোক সকলে দলে বলে ভোট প্ৰদান কৰিবলৈ ওলাই আহিব। গণতন্ত্ৰৰ সৰ্ববৃহৎ উৎসৱ এই নিৰ্বাচনক লৈ তেওঁলোক যথেষ্ট উৎসাহী। আনহাতে অসমত হৈ যোৱা দুয়োটা নিৰ্বাচনত হৰিজন সকলৰ কোনোৱে ভোট বৰ্জন কৰা নাই। নিজৰ নিজৰ সমৰ্থিত ভোট দান কৰিছে। আনকি হৰিজন সকলৰ বহুলোকে প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলোৱাও দেখা গৈছে। কিন্তু এই ভীম বাস্ফৰ নামৰ লোক জনে নিজকে হৰিজন সম্প্ৰদায়ৰ নেতা জাহিৰ কৰি তেওঁ নিজৰ ব্যক্তি স্বাৰ্থত এক ভুৱা বাতৰি বিয়পাই হৰিজন লোক সকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। গতিকে আজিৰ সংবাদ মেল যোগে তেওঁলোকে প্ৰশ্ন কৰিছে তেওঁ কাৰ লগত আলোচনা কৰি নোটাত ভোট প্ৰদান কৰা সিদ্ধান্ত লোৱাৰ কথা কৈছে। গুৱাহাটীৰ সৰ্বমুঠ ২৬ টা হৰিজন কলনিৰ কোন কোন লোক আছিল তেওঁলোকক জনাবলৈ প্ৰত্যাহ্বান জনায়। লগতে ভীম বাস্ফৰৰ এই মন্তব্যক ধিক্কাৰ জনায়। আৰু ভৱিষ্যতে এনে কাম নকৰিবলৈ সঁকিয়াই দিয়ে। লগতে নিৰ্বাচন আয়োগক ভীম বাস্ফৰৰ বিৰুদ্ধে আইনী ব্যৱস্থা লবলৈ অনুৰোধ জনায়। সংবাদ মেলত সন্থাৰ সাধাৰণ সম্পাদক দীননাথ বাস্ফৰ, গাঁও প্ৰমুখ অমিত গুজৰাটী, সমাজ প্ৰমুখ অজিৎ কুমাৰ ভাঙ্গী, গাঁও প্ৰমুখ কৈলাশ কুমাৰ, ৰামায়ন বাস্ফৰ আৰু বিনোদ বাস্ফৰৰ লগতে কেইবাজনো লোক উপস্থিত থাকে।

# বিজেপিৰ বিজয় সংকল্প সমাৰেশ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ ফেঞ্চি বজাৰ হেম বৰুৱা পথ শৰ্মা চুইটচৰ সন্মুখত ভাৰতীয় জনতা পাৰ্টীৰ এক বিজয় সংকল্প সমাৰেশ অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত অসম চৰকাৰৰ মন্ত্ৰী যোগেন মোহন, প্ৰাক্তন সাংসদ ৰমেন ডেকা, বিজেপিৰ নেতা বিজয় গুপ্তা, প্ৰমোদ স্বামী আদি ব্যক্তিৰ উপৰিও প্ৰায় ৩০০ জন মান লোক উপস্থিত থাকে। উক্ত সমাৰেশত আটাইবোৰ বক্তাই ৫ নং লোকসভা সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিক বিপুল ভোটত জয় যুক্ত কৰাৰ বাবে ৰাইজক আহ্বান জনায়। ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দেশৰ আৰু ৰাজ্যৰ বলিষ্ঠ নেতৃত্বৰ কথা তথা দেশ আৰু ৰাজ্যৰ বিকাশৰ কথা উল্লেখ কৰে। তাৰোপৰি কংগ্ৰেছ দলক জ্যেষ্ঠ নেতা বিজয় গুপ্তাই তুলা ধুনা দি সমালোচনা কৰে।

# ৰাষ্ট্ৰীয় স্তৰত সন্মানিত অসমৰ চিত্ৰশিল্পী অদিতি ডেকা পাঠক



ৰঙিলী বাৰ্ত্তাসেৱা- দৃশ্যকলাশিল্পী অদিতি ডেকা পাঠকলৈ অলপতে "Creative Women's Award" আগবঢ়োৱা হৈছে। উক্ত সন্মান আগবঢ়াইছে প্ৰয়াগৰাজৰ "Khanam Art Gallery" এ এক গাম্ভীৰ্য্যপূৰ্ণ অনুস্থানত। অদিতি ডেকা পাঠক হৈছে উক্ত বঁটা প্ৰাপ্ত উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ চিত্ৰকলা শিল্পী। উক্ত অনুষ্ঠানত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ কেইবাগৰাকীও প্ৰখ্যাত শিল্পী আৰু সৃজনশীল কৰ্মত জড়িত মহিলাক সন্মানিত কৰা হয়। শিল্পী পাঠকৰ চিত্ৰশিল্প অসম, ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ লগতে-বাংলাদেশ, ইজৰাইল, ছিংগাপুৰ, ম্যানমাৰ, থাইলেণ্ড আদিত প্ৰদৰ্শিত হৈছে। বিভিন্ন বঁটা-সন্মান প্ৰাপক অদিতি ডেকা পাঠকৰ ৰচিত উল্লেখযোগ্য জনপ্ৰিয় গ্ৰন্থ সমূহ হ'ল- "Understanding Visual Arts", "Painting and Comprehending Ab-stract Explorations : Idea, Method and Inspiration"। তেওঁৰ সম্পাদিত এক উল্লেখযোগ্য গ্ৰন্থ হ'ল "The History and Art of India"। তেওঁৰ বিভিন্ন চিত্ৰশিল্প, প্ৰবন্ধ আৰু গৱেষণাপত্ৰ অসম, ভাৰত আৰু বিশ্বৰ বিভিন্ন উল্লেখযোগ্য গ্ৰন্থ আৰু জাৰ্নেলত প্ৰকাশিত হৈছে। সম্প্ৰতি অসম বিশ্ববিদ্যালয় (কেন্দ্ৰীয়) শিলচৰত দৃশ্যকলা বিভাগত গৱেষণা কৰি আছে পাঠক।

# ব্যতিক্ৰমী শিশু আৰু সমাজ

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

শিশু সকল হৈছে দেশৰ ভৱিষ্যত। শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশে এজন শিশুক সুনাগৰিক কৰি গঢ়ি তোলাত সহায় কৰে। এইখিনিতে প্ৰশ্ন হয় আমাৰ সমাজৰ সকলো শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশ একেদৰে একে সময়তে হয় নে? নিশ্চয় নহয়! কোনো কোনো ক্ষেত্ৰত কিছুমান কাৰকে শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশক বাধা দিয়ে। আজিৰ আলোচনাত স্বাভাৱিক বিকাশত বাধা প্ৰদান কৰা এটা পৰিঘটনাৰ কথা ক'ব বিচাৰিছোঁ। যিটো পৰিঘটনাক চিকিৎসা বিজ্ঞানৰ ভাষাত 'ডাউন চিন্ড্ৰম' নামেৰে নামাকৰণ কৰিছে। অৱশ্যে এই নামাকৰণ এজন ইংৰাজ চিকিৎসক John Langden Down ৰ নামেৰেহে কৰা হৈছিল। চিকিৎসক ডাউনে ১৮৬২ চনত মানসিক ভাৱে বাধাগ্ৰস্থ শিশুৰ লগত ক্ৰম'জ'মৰ বিসংগতিৰ বাবে হোৱা অস্বাভাৱিকতা একে নহয় বুলি নিশ্চিত কৰিছিল। এই শিশুৰ ব্যক্তিত্বত বিশেষ ধৰণৰ মানসিক আৰু শাৰীৰিক ভাৱভংগী প্ৰকাশ পায়। কেতিয়াবা এনে ভাব ভংগী মৃদু আৰু কেতিয়াবা তীব্ৰ হোৱা দেখা যায়। মানসিক আৰু শাৰীৰিক বিকাশৰ গতি মন্থৰ হৈ পৰে। তেতিয়াই এই শ্ৰেণীৰ শিশুসকল স্বাভাৱিক শিশুতকৈ চেহেৰা মংগোলীয় লোকসকলৰ লগত মিলা বাবে 'মংগোলয়ড' নাম দিছিল। ১৯৭০ চনত জাতিগত নাম এৰি তেওঁৰ সন্মানাৰ্থে ডাউন চিন্ড্ৰম ৰখা হয়।



ডাউন চিন্ড্ৰম এবিধ বেমাৰ বা ৰোগ নহয়। ই এনে এক পৰিঘটনা যাৰ ফলত এটা শিশুৰ কিছু ব্যতিক্ৰম হৈ পৰে। সাধাৰণতে মানুহৰ দেহৰ প্ৰতিটো কোষৰ কোষকেন্দ্ৰত ২৩ যোৰ বা ৪৬ ডাল ক্ৰম'জ'ম থাকে। কিন্তু কিছুকিছু শিশুৰ ক্ষেত্ৰত মাতৃগৰ্ভত সৃষ্টি হোৱা এক শাৰীৰিক বিপাকৰ ফলত শিশুটিয়ে এডাল ক্ৰম'জ'ম বেছিকৈ অৰ্থাৎ ৪৭ ডাল ক্ৰম'জ'ম লৈ জন্ম গ্ৰহণ কৰে। এই অতিৰিক্ত ক্ৰম'জ'ম ডাল থাকে ২১ নম্বৰ যোৰাৰ লগত লগ হৈ দুডালৰ ঠাইত তিনিডাল হৈ পৰে। অতিৰিক্ত ক্ৰম'জ'ম ডালেই শিশুৰ স্বাভাৱিক বিকাশত বাধা দিয়ে। চিকিৎসা বিজ্ঞানৰ মতে "পিতৃ-মাতৃৰ পৰা অহা দুটা জনন কোষ দুয়ো দুয়োতে সমাহিত হোৱাৰ সময়তেই ১৪ আৰু ২১ নম্বৰ ক্ৰম'জ'ম দুডালৰ বিচ্ছেদ নঘটি বান্ধ খাই থকাৰ ফলশ্ৰুতিত সন্তানৰ জন্মৰ পিছত কিছু অস্বাভাৱিক শাৰীৰিক আৰু মানসিক অৱস্থাপ্ৰাপ্ত হয়"। মাতৃগৰ্ভত সৃষ্টি হোৱা এই দুৰ্ঘটনাটোৰ কাৰণ আজি পৰ্যন্ত বিজ্ঞানে দিব পৰা নাই। কেৱল মাতৃৰ বয়স ৩৫ বছৰতকৈ বেছি হ'লে ডাউন চিন্ড্ৰম থকা শিশুৰ জন্ম হোৱাৰ সম্ভাৱনা থাকে বুলি বিজ্ঞানে কৈছে যদিও ই সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য নহয়।

যিকিনহওক ডাউন চিন্ড্ৰম থকা শিশু সকল দুৰ্ভগীয়া নেকি? নে অভিভাৱক সকল? আমাৰ দৃষ্টিত সেইসকল

(নপৃষ্ঠাত চাওক)

# হৃদয়ত মাতৃৰ অপৰূপ স্থান

**যমুনা দুলু বৈশ্য, শুৱালকুছি**



এই পূৰ্ণভূমিত তোমাৰ মহিমা অপাৰ
তুমি ত্যাগী, ধৈৰ্যশীলা, তোমাৰ তুলনা নাই,
দুখতো দুখী মা, তুমি চিৰ জ্যোতিষ্মান
দেখুৱালা, চিনাকিৰে জীৱন ধন্য কৰিলা,
অ, মা জনমে, জনমে পাওঁ যেন
তোমাৰে কোলা,
যাৰ বাবে দেখিলোঁ এই পৃথিৱী
তুমি আজীৱন যুগ যুগান্তৰ এৰিব নোৱাৰাৰ
চিনাকি,
হে, মানৱতা এবাৰ ভাবা
নিজৰ বুকুখনলৈ চোৱা
যি গৰাকীৰ মাতৃ য়ে গৰ্ভত ৰাখি
ধুই, পখালী, খুৱাই এখোজ, দুখোজকৈ
ডাঙৰ কৰিলে,
সেই মাতৃক, বৃদ্ধ অৱস্থাত দুখ নিদিবা ঐ
মানুহ হৈ জনম ধৰিছা এবাৰ
মাতৃৰ মুখলৈ চোৱা চোন
জন্ম দিয়া মা, হয় ঐ
তুমি যি জীৱন পালা,
সেই মাতৃ গৰাকীক অৱহেলা নকৰিবা
হৃদয়ে, হৃদয়ে বিচাৰে মৰম
হৃদয়ত মাতৃৰ অপৰূপ স্থান,
ক'তো নোপোৱা,
কাৰো লগত তুলনা নকৰিবা ও
এই মাতৃৰ মৰম।

# তীৰ্থস্থান হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ

তীৰ্থ নগৰী হাজো। অসমৰ পঞ্চতীৰ্থ ভিতৰত হয়গ্ৰীৱ মাধৱ মন্দিৰ অন্যতম। এই মন্দিৰৰ কিংবদন্তী বহু পুৰণি ইতিহাস আছে। হয়গ্ৰীৱ মাধৱ মন্দিৰ গুৱাহাটীৰ পৰা ২০/৩০ কিলোমিটাৰমান হ'ব। হয়গ্ৰীৱ মাধৱ মন্দিৰ কামৰূপ জিলাৰ অন্তৰ্গত হাজোৰ মনিকূট পাহাৰৰ সৰু টিলা এটাত অৱস্থিত। হিন্দু সকলৰ পবিত্ৰ স্থান যদিও ইয়াত হিন্দু-মুছলমান সকলো ধৰ্মৰ লোক একেলগে বসবাস কৰি আছে। বৌদ্ধ ধৰ্মৰ লোকসকল এই মন্দিৰ দৰ্শনলৈ প্ৰায় আহে। মন্দিৰৰ কাষৰ টিলাৰ তলত এটা ৰজাদিনীয়া পুখুৰী আছে, সেই পুখুৰীটোত মাছ, কাছ আদিৰে পৰিপূৰ্ণ। সুন্দৰ খটখটীৰে নামি গৈ পুখুৰীত ভৰি ধুব পাৰি, পুখুৰীৰ পাৰতে মেলাৰ দৰে সৰু সৰু দোকানবোৰত চাকি বন্তী ফুল আদিকে ধৰি বিভিন্ন সামগ্ৰীৰে ভৰপূৰ। কাতি মাহত মাধৱ মন্দিৰত তুলসী দিৱলৈ অহাতো পূৰ্বপুৰুষৰ পৰা চলি আহিছে, বিশ্বাস কৰে তুলসী দিলে পৰিয়ালটোৰ বছৰৰ কাৰণে অপায় অমঙ্গল দূৰ হয়। আমাৰ বস্ত্ৰনগৰী শুৱালকুছিত অশোকাষ্টমীৰ দিনা ব্ৰহ্মপুত্ৰত হয়গ্ৰীৱ মাধৱ মন্দিৰ গোঁহাইক স্থান কৰিবলৈ



**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি**

আহে, এয়া আমাৰ সৌভাগ্য শুৱালকুছি বাসীৰ তেখেতৰ চৰণৰ পদধূলাই আমাক পবিত্ৰ কৰি তোলে।

# কলা-সংস্কৃতিপ্ৰেমী গোবিন চন্দ্ৰ দেৱ গোস্বামী

**অঞ্জু শাণ্ডিল্য**



অসমৰ ঐতিহ্য মণ্ডিত ৰজাঘৰীয়া চাৰিসত্ৰৰ এখন শ্ৰী শ্ৰী কুৰুৱাবাহীসত্ৰ। উজনি অসমৰ বোকাখাত নগৰৰ সমীপত সত্ৰখনে সত্ৰীয়া কলা-সংস্কৃতিক গৌৰৱেৰে উজ্জ্বলাই তুলিছে। সেই সত্ৰৰে প্ৰয়াত শ্ৰী শ্ৰী যোগানন্দ দেৱ গোস্বামীৰ কনিষ্ঠ পুত্ৰ গোবিন চন্দ্ৰ দেৱ গোস্বামী। সত্ৰৰ গোসাই ল'ৰাৰূপে সৰুৰেপৰা সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আকৃষ্ট হয়। সত্ৰত চৰ্চা হোৱা নাম-কীৰ্তন, সত্ৰীয়া নাটক, ভাওনা, ইত্যাদিত শিশু অৱস্থাৰেপৰা জড়িত হৈ পৰে। সত্ৰৰ পৰম্পৰা অনুসৰি নাম-গান, গায়ন-বায়ন আদি আহৰন কৰি সুচাৰুৰূপে পৰিবেশন কৰিব পাৰিছিল। পাছলৈ বহুকেইখন নাটক ৰচনা কৰি ভাওনা কৰাইছিল। সৰুতেই কলা-সংস্কৃতিৰ প্ৰতি ঢাল খোৱা মনটো ব্যৱসায়, ঘৰ-সংসাৰ, সামাজিক কাম-কাজত আৱদ্ধ থাকিও কলা-সংস্কৃতিৰ ক্ষেত্ৰৰ পৰা আতৰিব নোৱাৰিলে। বোকাখাত নগৰৰ সমীপত আনন্দপুৰ চাহবাগিচা, নগৰৰ মাজমজিয়াত 'চন্দ্ৰমা' চিনেমা হল, ঘৰ-পৰিয়ালৰ নানান সমস্যা- জঞ্জাল সামৰিও কলা-সংস্কৃতিৰ ক্ষেত্ৰত বিভিন্ন কাম-কাজ কৰি গ'ল। সত্ৰৰ বছৰে বছৰে অনুষ্ঠিত হোৱা ৰাস, ফাকুৱা, যজ্ঞ, পূৰ্বপুৰুষৰ মৃত্যুতিথি আদিত ভাওনা, সাংস্কৃতিক অনুষ্ঠানবোৰত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। বোকাখাতত থকা পুৰনি নাট্যমন্দিৰটো মৃত প্ৰায় অৱস্থাৰপৰা উদ্ধাৰ কৰি আধুনিক মঞ্চ, প্ৰেক্ষাগৃহৰে সজাইপৰাই

(নপৃষ্ঠাত চাওক)

যোৰাখণ্ডৰ পৰা...

# বিহুৱান, হাঁচতি, টঙালি এই তিনি বস্ত্ৰ অসমীয়া সংস্কৃতিৰ প্ৰতীক

**প্ৰিয়ম ৰাগিণী, ডিব্ৰুগড়**

অসমীয়া শিপিনীয়ে তাঁতত নানা ৰঙৰ হাঁচতি বৈ উলিয়াব পাৰে। তাহানিতে মহাত্মা গান্ধী অসমলৈ আহি অসমীয়া শিপিনীৰ তাঁতশালত কাপোৰ বৈ কাটি উলিওৱাৰ নৈপুণ্যতা দেখি তবধ মানি কৈছিল "অসমীয়া শিপিনীয়ে তাঁতশালত সপোন ৰচে"। ই সঁচাই এক অতুলনীয় কথা। হাঁচতি সাধাৰণতে দীঘলে বহলে এক ফুট জোখৰ হয় যদিও ইয়াতকৈও সৰু জোখৰো হাঁচতি থাকে। অসমীয়া সমাজত বোৱা-কটাত পাকৈত অসমীয়া শিপিনীয়ে তাঁতশালত নানা তৰহৰ হাঁচতি বৈ উলিয়াব পাৰে। আজি কালি বজাৰত নানা জোখৰ আৰু নানাৰঙী হাঁচতি উপলব্ধ। আচলতে হাঁচতি শব্দৰ অৰ্থ নথকা নহয়। পূৰ্বতে কঁষিজীৱী অসমীয়া পুৰুষ মহিলাই কামৰ মাজে মাজে খাই থাকিবলৈ তামোল পাণ বান্ধি নিবলৈহে ব্যৱহাৰ কৰিছিল। তামোল পাণ দিয়াৰ চলেৰে পাছলৈ ডেকা গাভৰুৰ মনত প্ৰেমভাৱৰ উদয় হৈছিল আৰু বিহুগীতবোৰতো সেয়ে হাঁচতিৰ কথা উল্লেখ পোৱা যায়।

বিহুৰ লগত অংগাংগী সম্পৰ্ক থকা এই তিনিবস্ত্ৰ আমাৰ অসমীয়া সংস্কৃতিৰ এক এৰাব নোৱাৰা প্ৰতীক। এই তিনিবিধ বস্ত্ৰ নাচনী আৰু ঢুলীয়াই পৰিধান কৰি নাচিলেহে বিহুৱোৱা বা বিহু ঢুলীয়াজন বা নাচনীজনী স্বয়ংসম্পূৰ্ণ হৈ উঠে।

বিহু জাতীয় জীৱনৰ আশা আকাংক্ষা, ৰং আনন্দ তথা আৱেগ অনুভূতিৰ উৎসৱ। বছেৰেকৰ মূৰত বিহুটো আহে। গতিকে এই বিহুটো যাতে বৰবিহ নহয় তাৰ বাবে আমি সকলো সচেতন হৈ পৰোঁ। কেৱল বস্ত্ৰ কেইপদৰ কথা ভাবিলেই জানো হ'ব? খাদ্যৰসিক অসমীয়া চহা আমিবোৰে বিহুৰ দিনত 'এশ এবিধ শাক' খোৱা নিয়মৰ পৰা 'আমৰলি পৰুৱা', কণী যুঁজ কৰি সেই কণী 'ভাজি খোৱা' ৰূপৰা হুৰুম, সান্দহ, চিৰা-পিঠা-জলপান খাইও আনন্দ কৰোঁ। বিহুটো যেহেতু আমাৰ কৃষিৰ লগত সম্পৰ্কিত উৎসৱ। কৃষি আৰম্ভণি আৰু সামৰণিৰ লগত সামঞ্জস্য ৰাখি আমি বছৰৰ তিনিটা সুকীয়া সময়ত তিনিটা বিহু উৎসৱ পাতি আনন্দ কৰোঁ। ব'হাগ মাহৰ ৰঙালী বিহুটোত আনন্দৰ পৰিমান সদায়ে বেছি হয়। মাঘ বিহুত খোৱাৰ প্ৰয়োজনৰ বেছি হয় আনহাতে কাতি বিহুত আকালৰ পৰিমাণ বেছি বাবে কঙালী বিহু বুলি জনা যায়। তথাপিও কাতি বিহু কঙালী বুলি কোৱা সেই আগৰ প্ৰবচনটো আজিৰ দিনত অপ্ৰাসংগিক যেন লাগে। কৰ্মঠ অসমীয়া লোকসকলৰ ঘৰত আজিকালি কঙাল অৱস্থাৰ অৱসান ঘটিছে বুলিয়েই ক'ব পাৰি। সময়ৰ লগত বিহু উৎসৱ উদযাপনৰ ধাৰণাত অলপ হলেও পৰিৱৰ্তন আহি পৰিছে। সি যি কি নহওক। বিহু আমাৰ জাতীয় উৎসৱ। এই বিহু উৎসৱ আয়োজন কৰাৰ পৰম্পৰা আমাৰ অতীজৰে পৰা চলি আহিছে আৰু চলি থাকিব। নিজৰ জাতিৰ মেৰুদন্ডস্বৰূপ এই বিহু সংস্কৃতিয়ে হৈছে আমাৰ প্ৰকৃত পৰিচয়। বিহু উৎসৱক বাদ দি আমি নিজক কেতিয়াও চিনাকি দিব নোৱাৰোঁ।গতিকে নিজ কৃষ্টি সংস্কৃতি পৰম্পৰাক অক্ষুণ্ণ ৰাখি আমি বিহু উদযাপন কৰি যাম।



**অণুগল্পঃ**

## আধাৰশিলা

**মুন শৰ্মা, লখিমপুৰ**

যোৱা পাঁচ বছৰৰে শিল এক ট্ৰাক পৰিলে। তাৰ বাদে একোৱেই নহ'ল। বাৰিষা আহিলে ৰাস্তাৰ অৱস্থা কি হ'ব ধৰিব পৰা নাই দেই। ধেই... তই ও বৰ বেঙা দেই, আগতে যেনে এই বাৰিষা ও তেনেই। আধাৰশিলাহে, ফলক খন পঢ়ি চোৱা নাই নেকি?

# নিজে কষ্টত থাকি বেলেগক সহায় কৰাৰ একো অৰ্থ নাই...

মানুহ মাত্ৰেই স্বাৰ্থপৰ। তথাপিও বৰ্তমান সময়তো এনে কিছুমান মানুহ আছে যিবোৰে একেবাৰে কম স্বাৰ্থৰ বিনিময়ত বা কেতিয়াবা নিস্বাৰ্থভাৱে এজনে আনজনৰ কষ্টৰ বুজ ল'বলৈ অগ্ৰসৰ হোৱা দেখা যায়। ইয়াতে নিজ নিজ পিতৃ, মাতৃৰ কথা আনতকৈ পৃথক হোৱাটো স্বাভাৱিক। অৰ্থাৎ মই কোৱাৰ তাৎপৰ্য এইটোৱে যে, মানুহে মানুহক সহায় কৰাটো উচিত। তথাপিও নিজে কষ্টত থাকি বেলেগক সহায় কৰাৰ আজিৰ সময়ত একো অৰ্থ নাই যেন মোৰ অনুভৱ হয়। কাৰণ বৰ্তমানে আপুনি আনৰ দুখ-কষ্ট বুজিবলৈ যত্ন কৰিলেওঁ অন্যান্য মানুহে আপোনাৰ কষ্টৰ সময়ত সহায় কৰাৰ বাবে অগ্ৰসৰ হোৱা একেবাৰে বহু কম মাত্ৰাত দেখিবলৈ পোৱা যায়। সেয়েহে এতিয়া পৰাপক্ষত প্ৰথমতে নিজৰ সুবিধাজনক স্থিতি সমূহ বিচাৰ কৰি তাৰ পৰৱৰ্তী সময়চোৱাত আনক বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিব লাগে। কাৰণ খুব সম্ভৱ এতিয়াৰ সময়ত ধৰিললো আপুনি কোনো এজন ব্যক্তিক হয়তো নিজে অসুবিধাত পৰি হ'লেওঁ তেওঁক আপুনি বহু ডাঙৰ বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে নাইবা বহু ডাঙৰ বিপদৰ পৰা উদ্ধাৰ কৰিছে। এনেতে আপুনি নিজ চকুৰে পৰিলক্ষিত কৰিবলৈ সক্ষম হ'ব যে, সেই মানুহজনে আপোনাৰ কষ্টবোৰৰ উচিত মূল্যাংকন কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে। এইয়াই হ'ল বৰ্তমান সমাজৰ আৰু বৰ্তমান পৰিস্থিতিৰ এক বাস্তৱ ছবি। আমাৰ অতীতৰ তুলনাত এতিয়াৰ মানুহৰ মানসিক ভাৱধাৰাৰ ওপৰত বহু পৰিৱৰ্তন আহি পৰিছে। এতিয়া আপোনাক যদি কষ্টত বা অসহায় অনুভৱ কৰে তেন্তে মানুহবোৰে এতিয়া আপোনাক সহায় কৰাৰ পৰিৱৰ্তে আপোনাৰ অসহায় অৱস্থাৰ সুবিধা উঠাবলৈয়ে যত্ন কৰা দেখা যায়। এইখিনিতে কথা এটা কৈ থওঁ যে, মানুহে মানুহক সহায় কৰাৰ ক্ষেত্ৰত মোৰ কোনো নকাৰাত্মক ভাৱধাৰা নাই। মানুহ মানুহক সহায় নকৰিলে অন্য কোনেনো আহি কৰিবনো। কিন্তু এতিয়াৰ সময় অনুসৰি এটা কথা স্পষ্ট ভাৱে উল্লেখ কৰিব বিচাৰোঁ যে, নিজৰ সুবিধাজনক স্থিতিৰ ওপৰত প্ৰথমে দৃষ্টি নিক্ষেপ কৰক। অৰ্থাৎ নিজে কষ্টত থাকি বেলেগক সহায় কৰাৰ প্ৰতি কেতিয়াওঁ অগ্ৰসৰ নহ'ব। নহ'লে আপুনি জগতৰ দুখ-কষ্ট বুজিবলৈ সক্ষম হ'লেও জগতে কিন্তু আপোনাৰ দুখ-কষ্টৰ বুজ ল'বলৈ ওলাই নাহিব। সেই তেতিয়াহে আপুনি একেবাৰে স্পষ্ট ৰূপত বুজিবলৈ সক্ষম হ'ব, নিজে কষ্টত থাকি বেলেগক সহায় কৰাৰ একো অৰ্থ নাই।



**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**

## পাৰ হৈ অহা গধূলি

**মানসী মিশ্ৰ**



সৌ পাৰ হৈ যোৱা গধূলি
মই অকলশৰে বহি ৰৈছিলোঁ
চিনাকি পদূলিটোত
গাত দীঘলীয়া জ্বৰৰ কঁপনি
দুচকু মোৰ সেমেকি উঠিছিল
যেন কোনোবাখিনিত কণ্ঠৰুদ্ধ
পঠিকৰ দৰে ৰৈছিলোঁ মই
আপোন ঘৰখনৰ সুবাস বিচাৰি
মনটো উৰি যাব খুজিছিল
মনটোৱে এক হ'ব বিচাৰিছিল
নীড়মুখী পখীৰ জাকটোৰ সতে
এৰা, সেই পাৰ হোৱা গধূলিবেলা
ভাগৰুৱা শৰীৰটো একাকাৰ আছিল
মোৰ সেই ভাগৰুৱা মনটোৰ সতে
উভতি যাব খোজে মনটোৱে
এৰি অহা মৰম বিচাৰি
স্মৃতিৰ বোকোচাত লীণ হ'ব খোজা
মনটোক আজি ধৰিলোঁ মৰমেৰে সাৱটি

# মই এখন শালৰ মালিক

**স্বাগতা বৰুৱা গোস্বামী**

বুঢ়ীৰ জহতে দুবেলা দুমুঠি
খাই আছ তই ভাত
এদিন মাথো নহ'লে মই
চেলাই পেলাবি দাঁত

কলমটো হাতত লৈৰে সৰুতে পঢ়া কবি অতুল চন্দ্ৰ হাজৰিকাদেৱৰ ওলট-পালট কবিতাটোলৈ মনত পৰিছে। সচাঁকৈয়ে বাৰু ঘৰখনত মহিলাসকলৰ অবিহনে পুৰুষসকল এনে অৱস্থা হয় নেকি বাৰু?? আচলতে তেনেকুৱা কথা নহয়। মানুহ পৰিস্থিতিৰ দাস। প্ৰয়োজনত সকলোৱে সকলো কৰিব পাৰে। যিদৰে পুৰুষে এখন ঘৰৰ মুধচৰ কাম কৰে ঠিক তেনেদৰে দায়িত্ব আৰু কৰ্তব্যবোধৰ আন এক নাম নাৰী। এগৰাকী নাৰী হিচাপে মই নিজকে গৌৰৱ বোধ কৰো। কাৰণ মই এখন শালৰ মালিক।



এইটো ক'ম গৌৰৱৰ কথানে? কেতিয়াবা ভাগৰিও পৰো। কেতিয়াবা আমনিও লাগে। তৎমুহূৰ্তেতে ভাল লাগি আহে যেতিয়া মই কৰা কষ্ট খিনি সাৰ্থক হয়। আপোনালোকে ভাবিছে চাগৈ নহয়নে মই বা কি শালৰ মালিক...মই হ'লো ৰান্ধনীশালৰ মালিক। কেৱল মইহে মালিক তেনে নহয়। প্ৰতিখন গৃহস্থি ঘৰতে মহিলাসকল শালখনৰ মালিকনী হৈ পৰে। মই ভাবো ৰান্ধনীশালৰ মালিকনী গৰাকীৰ হাততেই পৰিয়ালৰ সদস্য সকলৰ স্বাস্থ্যৰ চাবিকোচা থাকে। দেহা থাকিলেহে বেহা। গতিকে সেই দেহাটো চলিবলৈ আমাক ইন্ধনৰ প্ৰয়োজন। কাৰণ আমাৰ গাড়ী বহুদিনলৈকে দৌৰাব লাগিব। গতিকে আমি সুষম আহাৰ গ্ৰহণ কৰিব লাগিব। সেয়েহে মই খাদ্য ৰন্ধাৰ সময়ত সদায় ক'ম তেলত আৰু কম জুইত খাদ্য ৰান্ধো। বজাৰৰ পৰা অনা মছলা খাদ্যত ব্যৱহাৰ কৰাতকৈ আদা, তেজপাত, নহৰু, পিয়াঁজ, জিৰা ধনীয়া আদি মচলাৰে খাদ্য সমূহ ৰান্ধো। তাৰোপৰি ৰান্ধনীশালৰ তিনিটা বগা বস্তুৰ পৰা মানে নিমখ, চেনী, ময়দাৰ পৰা সদায় কম বেছি পৰিমাণে দূৰত্ব বজাই ৰখাটো অত্যন্তয়ে দৰকাৰ। বতৰৰ ফল মূল দৈনন্দিন তালিকাত অন্তৰ্ভুক্ত কৰাৰ পৰা আদি কৰি দিনটোত অলেখ অযুত কামেৰে শালখন ভৰি থাকে। আকৌ কেৱল শালখনত খাদ্য ৰান্ধিলেইটো নহ'ব সেইখন চাফ-চিকুন কৰি ৰখাৰ দায়িত্বও আমাৰেই। বিচাৰিলেই হাততেই পোৱাকে 'পাকঘৰ বাগিছা' এখনো কৰি লৈছো। যাতে মন গ'লেই মানিমুনি, নৰসিংহ, ধনীয়া, পদিনা পাব পাৰো। আকৌ নেমু পাবলৈ দিগদাৰ হোৱা দিনত কামত আহিবলৈ বগৰী গুড়ি, ওটেঙাৰ গুড়ি গোটাই থওঁ। এইখিনি মোৰ একান্তই নিজৰ। ইয়াৰ মাজতে মই সুখ বিচাৰি পাওঁ।

সততে এটাৰ প্ৰশ্নৰ মুখামুখী হ'ব লগা হয় যে মই কি কৰো? প্ৰথমে বেয়া লাগিছিল, কিন্তু যিদিনাই ভাবিলো মই কি নকৰো। পুৱা উঠি গা-ধুই, ঘৰ সৰা মছা কৰি পুৱাৰ আহাৰ তৈয়াৰ কৰো। তাৰ সমানে সমানে পৰিয়ালৰ স্বাস্থ্যৰ কথা চিন্তা কৰি ভাতৰ কাহীখন কেনেদৰে ৰং-বিৰং কৰিব পাৰি তাৰ চিন্তা কৰো। মানুহজনক সময়মতে কৰ্মস্থলীলৈ পঠিয়াব পাৰো। ছোৱালীজনীৰ দায়িত্ব ল'ব পাৰো। তাৰে মাজত ঘৰলৈ অহা অতিথিক সুন্দৰ ভাবে আপ্যায়ন কৰিবলৈ যত্ন কৰো। নকৰো কেৱল চাকৰি। কাৰণ মই যে শালখনৰ মালিকনী।

# শাহুবোৱাৰীৰ মাজত মতভেদ হ'লেও মনৰ ভেদ হব দিব নালাগে

**শৈলেন কুমাৰ, মির্জা**

আমি পৰিয়ালৰ বাবে জীয়াই থাকো আৰু পৰিয়ালৰ বাবে সমস্ত উজাৰি দিবলৈ প্ৰস্তুত। পৰিয়ালৰ কাৰণে আমি সমস্ত জীৱন সমৰ্পিত কৰি দিওঁ। বহু পৰিয়ালত দেখা যায় বোৱাৰী অহাৰ লগেলগে হাইকাজিয়া আৰম্ভণি হয়। আমাৰ পৰিয়াল আমাৰ শক্তি সুখদুখত আমি সদায় একলগ হৈ থাকোঁ। যেতিয়া পুৰুষ ঘৰত আহে তেতিয়া ভাবে ঘৰত খৰৰ লোৱাৰ বাবে সকলোৱে ৰৈ আছে। ভাগৰে যুগৰে ঘৰ সোমাইছে কোনোবাই পানী এগিলাচ যাচিব। ঘৰ এখনৰ গুৰিয়াল হ'ল শাহু আৰু বোৱাৰী। যদি শাহু আৰু বোৱাৰীৰ মাজত মিলাপ্ৰীতি থাকে, শান্তি থাকে, প্ৰেম থাকে মনৰ মিলন থাকে তেতিয়া সেই ঘৰ স্বৰ্গ সদৃশ হৈ পৰে। আমি নাজানো অন্য কৰোবাত স্বৰ্গ আছে নে নাই ? কিন্তু শাহু আৰু বোৱাৰীৰ মাজত মিলাপ্ৰীতিয়ে ঘৰ স্বৰ্গ বনাব পাৰে। যেতিয়া ছোৱালী এগৰাকী বোৱাৰী হৈ আহে তেতিয়া বোৱাৰীও কিছুমান সপোনলৈ ঘৰ সোমাই আৰু শাহুৱেকেও কিছুমান সপোন লৈ বোৱাৰীক আদৰি লয়। দুয়োজনে যদি দুয়োজনকে বুজি লয় তেতিয়া সেই ঘৰখন স্বৰ্গ হৈ পৰে । শাহুৱেকে আৰু বোৱাৰীৰ বাবে পৰিৱেশটো নতুন গতিকে বুজাবুজিৰ দৰকাৰ যথেষ্ট আহি পৰে। বোৱাৰীয়ে শাহুৱেকক সদায় নিজৰ জন্মদাত্ৰী মাতৃৰ দৰে ভাবিব লাগে। এজনী ছোৱালীয়ে দুবাৰ জন্ম লয়। প্ৰথমবাৰ জন্ম হয় মাঁকৰ গৰ্ভৰ পৰা আৰু দ্বিতীয়বাৰ যেতিয়া বোৱাৰী হৈ আন এখন ঘৰত সোমাই। বোৱাৰীয়ে সদায় শাহুৱেকক সন্মান কৰা উচিত কাৰণ যিখন ঘৰত বোৱাৰী হৈ প্ৰৱেশ কৰা হয় সেই ঘৰখন শাহুৱেকে এটকা দুটকা যোৰা লগাই নিৰ্মাণ কৰিছে। ঘৰখনক কেতিয়াও যুদ্ধক্ষেত্ৰ বুলি ভাবিব নালাগে য'ত যুদ্ধ কৰিব পৰা যাব। ঘৰ এখন হৈছে মৰম সমৰ্পণ আৰু ত্যাগৰ মন্দিৰ। শাহুৱেকে যদি কিবা কথাত ভুল দেখি বোৱাৰীক গালি দিয়ে তেতিয়া কল্পনা কৰা উচিত যে গালি শাহুৱে দিয়া নাই বৰঞ্চ আপোনাৰ জন্মদাত্ৰী মাতৃয়ে আপোনাক গালি দিছে। ভাষাৰ সালসলনিয়ে সকলো শুদ্ধ কৰে। দালিত নিমখ বেছি হ'লে ভুল স্বীকাৰ কৰি মানি লবলৈ শিকিব লাগে। পৰিৱৰ্তন একেদিনাইনহয় লাহেলাহে হয়। যদি শাহুৱেকে খং কৰে তেতিয়া বোৱাৰীয়ে শান্তহৈ থাকিবলৈ শিকিব লাগে। গিৰিয়েকক নিজৰ কৰ্ম কৰ্তব্য কৰিবলৈ বাধা দিব নালাগে। ঘৰখনৰ প্ৰতি পুৰুষৰ বহু দায়িত্ব কৰ্তব্য থাকে। পত্নীয়ে গিৰিয়েকক সমৰ্থন কৰিলেহে পত্নীয়ে গিৰিয়েকৰ পৰা সন্মান আৰু মৰ্যাদা পাব। বোৱাৰীৰ মগজু সদায় শীতল আৰু মুখখন চেনিৰ দৰে মিঠা হ'ব লাগে। ছোৱালী যদি নিজৰ মাকবাপেকৰ কাৰণে ৰাণী হয় তেতিয়া হ'লে লৰাও নিজৰ মাকবাপেকৰ কাৰণে ৰাজকুমাৰ হয় সেই কথা স্বীকাৰ কৰি ল'ব লাগে । এগৰাকী আদৰ্শ বোৱাৰীয়ে সকলো কাম শুধি মেলি কৰে। বোৱাৰীয়ে কেতিয়াও শাহুৱেকৰ আত্মসন্মানত আঘাত হানিব নালাগে। এদিন বোৱাৰীও শাহুৱেক হ'ব লাগিব সেই কথাখিনি আজিয়েই কল্পনা কৰি কাম কৰিব লাগে। সকলোৱে বিচাৰিব বোৱাৰীয়ে শাহুৱেকক সন্মান কৰাটো। পোচাক বোৱাৰীয়ে সদায় ৰীতিনীতি অনুসৰি পিন্ধিব লাগে, এনে পোচাক কেতিয়াও পিন্ধিব নালাগে যাৰপৰা বিতৰ্কৰ সৃষ্টি হব পাৰে। নিজৰ ঘৰখনত বোৱাৰী সদায় মহাৰাণী, ঘৰখন যদি বোৱাৰীয়ে আপোন কৰি ল'ব পাৰে তেতিয়া ঘৰখনৰ সকলো সদস্যয়ে আপোনাক আকোঁৱালি লবলৈ প্ৰস্তুত। আজিকালিৰ যুগ বন্ধুত্বৰ যুগ গতিকে বন্ধুত্ব কৰিবলৈ শিকিব লাগে। শাহুৱেক আৰু বোৱাৰীয়েকৰ মাজত মতভেদ হ'লেও মনৰ ভেদ হব দিব নালাগে। মবাইলটোৰ সদব্যৱহাৰ হব লাগে, ঘৰৰ কথা আনৰ আগত প্ৰকাশ কৰাটো ভাল কথা নহয়। মবাইলৰ পৰা আঁতৰত থাকি যিমানপাৰে কথা পাতিবলৈ শিকিব লাগে। মাকবাপেকে ধ্যান দিয়া উচিত আৰু ছোৱালী বা বোৱাৰীক বুজাই দিয়াতো জৰুৰী যে প্ৰত্যেকটো কথা যাতে ঘৰৰ ভিতৰতে থাকে বাহিৰলৈ নেযায়। পৃথিৱীত কোনো মানুহেই perfect নহয় গতিকে দোষগুণ সকলোৱে সৈতে ইজনেসিজনক স্বীকাৰ কৰিবলৈ শিকিব লাগে। বেয়াখিনি ignore কৰি ভালখিনি আকোঁৱালি লব লাগে। শাহুৱেকক ৰাজমাতৃ বুলি জ্ঞান কৰি সন্মান কৰি বোৱাৰীয়েকে ৰাণীৰ দৰে সুখ অনুভৱ কৰিব পাৰে। এগৰাকী মহিলাৰ হাতত থাকে ঘৰখন স্বৰ্গ সজাব নে নৰক? মনৰপৰা কৰ্তব্য সমূহ পালন কৰি ঘৰখন স্বৰ্গ কৰি তুলক।



# তুলিকাৰ বুলনি

**সংগীতা ডেকা, ৰঙিয়া**



লিখি লিখি বুজিছোঁ
নিজৰ ছাঁটোৰ নীলৰঙী উশাহবোৰক
কাগজৰ বুকুত নিৰৱে জীয়াই ৰাখিব পাৰি
সংগোপনে পঢ়ি, নাইবা ৰ'দৰ কোলাত মেলি দি
শান্তনাও লভিব পাৰি...
দে, যি কি নহওক কিয়
এটোপ এন্ধাৰে গৈ,
পোহৰৰ বুকুত জিৰণি লোৱাৰ
সুযোগকণ পালে!
লিখি লিখি বুজিছোঁ
প্ৰতিবিম্বৰ ভিতৰৰ প্ৰতিবিম্বটোক
এনেয়ে শুৱাই থ'ব নোৱাৰি
দৰ্পণৰ বুকুত সিও তো জিলিকিব খোজে
এৰা, লিখি লিখিয়েই বুজিছোঁ...!

# সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ আৰু ইয়াৰ ভৱিষ্যত

বুলেন নাথ, গৰুখুটি, দৰং

ডিজিটেল যুগত ছ'চিয়েল মিডিয়াই মানুহক সংযোগ কৰা, ধাৰণা ভাগ-বতৰা কৰা, সংস্কৃতি সংৰক্ষণৰ এক শক্তিশালী আহিলাত পৰিণত হৈছে। বিশ্বজুৰি কথিত অসংখ্য ভাষাৰ ভিতৰত ভাৰতীয় আমাৰ ৰাজ্যৰ চৰকাৰী ভাষা অসমীয়াই বিভিন্ন ছ'চিয়েল মিডিয়া প্লেটফৰ্মত কণ্ঠ বিচাৰি পাইছে। ছ'চিয়েল মিডিয়াত অসমীয়াৰ ব্যৱহাৰৰ এই উত্থানে ভাষাটোৰ প্ৰতি ক্ৰমবৰ্ধমান গৌৰৱক প্ৰতিফলিত কৰাই নহয়, ইয়াৰ সাংস্কৃতিক সংৰক্ষণ আৰু বিশ্বব্যাপী প্ৰসাৰৰ সম্ভাৱনাও সূচায়। চহকী সাহিত্যিক ঐতিহ্য আৰু বৈচিত্ৰ্যপূৰ্ণ উপভাষাৰে অসমীয়াই ডিজিটেল পৰিৱেশৰ লগত খাপ খুৱাবলৈ ঐতিহাসিকভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। কিন্তু ছ'চিয়েল মিডিয়াৰ আবিৰ্ভাৱৰ লগে লগে অসমীয়া ভাষীসকলে নিজৰ মাতৃভাষাত নিজৰ মত প্ৰকাশ, বিষয়বস্তু ভাগ-বতৰা, আনৰ লগত জড়িত হোৱাৰ এক মঞ্চ বিচাৰি পাইছে। ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম, ইউটিউবৰ দৰে প্লেটফৰ্মসমূহে ব্যক্তিগত উপাখ্যানৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক বক্তৃতালৈকে, কবিতাৰ পৰা আৰম্ভ কৰি ৰান্ধনীৰ আনন্দলৈকে অসমীয়া বিষয়বস্তুৰ প্ৰসাৰ সাক্ষী হৈ আহিছে। ছ'চিয়েল মিডিয়াত অসমীয়াৰ বৰ্ধিত ব্যৱহাৰৰ আঁৰৰ অন্যতম চালিকা শক্তি হ'ল ৰাজ্যৰ ভিতৰত আৰু বিশ্ব প্ৰব্ৰজনকাৰীৰ মাজত অসমীয়া ভাষীসকলৰ মাজত ই পোষকতা কৰা পৰিচয় আৰু সম্প্ৰদায়বোধ। ছ'চিয়েল মিডিয়াই ব্যক্তিসকলক সমমনা লোকৰ সৈতে সংযোগ স্থাপন কৰিবলৈ, অভিজ্ঞতা ভাগ-বতৰা কৰিবলৈ, আৰু ভৌগোলিক




সীমা নিৰ্বিশেষে নিজৰ সাংস্কৃতিক ঐতিহ্যক উদযাপন কৰিবলৈ অনুমতি দিয়ে। এই স্বত্ববোধে অসমীয়া জনগোষ্ঠীক শক্তিশালী কৰাই নহয়, ক্ৰছ-কলচাৰেল বুজাবুজি আৰু প্ৰশংসাও প্ৰসাৰিত কৰে। তদুপৰি ছ'চিয়েল মিডিয়াত অসমীয়াৰ ব্যৱহাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে ভাষাটো সংৰক্ষণ কৰাত সহায়ক। ডিজিটেল প্লেটফৰ্মে বিষয়বস্তুৰ আৰ্কাইভ কৰাৰ লগে লগে ই অসমীয়া সাহিত্য, সংগীত, শিল্প, আৰু পৰম্পৰাৰ ভাৰ্চুৱেল ভঁৰাল হিচাপে কাম কৰে। ডিজিটেল ক্ষেত্ৰখনত অধিক পাকৈত নব প্ৰজন্মই ছ'চিয়েল মিডিয়াৰ জৰিয়তে অসমীয়া ভাষা আৰু সংস্কৃতিৰ সৈতে পৰিচিত হয়, যাৰ ফলত ক্ৰমান্বয়ে বিশ্বায়িত হৈ অহা পৃথিৱীখনত ইয়াৰ ধাৰাবাহিকতা নিশ্চিত হয়। তদুপৰি ছ'চিয়েল মিডিয়াত অসমীয়াৰ ব্যৱহাৰৰ অৰ্থনৈতিক প্ৰভাৱো আছে। উদ্যোগী আৰু ব্যৱসায়ীসকলে ছ'চিয়েল মিডিয়া প্লেটফৰ্মৰ সহায় লৈ অসমীয়া সামগ্ৰী, সেৱা, আৰু পৰ্যটনৰ প্ৰচাৰ কৰিছে, যাৰ ফলত অঞ্চলটোৰ অৰ্থনৈতিক বিকাশত অৰিহণা যোগাইছে। ইয়াৰ উপৰিও ছ'চিয়েল মিডিয়াৰ প্ৰভাৱশালী আৰু কণ্টেন্ট ক্ৰিয়েটৰসকলে অসমীয়া কণ্টেন্টৰ জনপ্ৰিয়তাৰ মূলধন হিচাপে লৈ নিজৰ প্লেটফৰ্মক মুদ্ৰাকৰণ কৰিছে, যাৰ ফলত কৰ্মসংস্থাপন আৰু উদ্যোগীকৰণৰ নতুন পথৰ সৃষ্টি হৈছে। কিন্তু ছ'চিয়েল মিডিয়াত অসমীয়া ভাষাৰ যাত্ৰা প্ৰত্যাহ্বানহীন নহয়। ডিজিটেল বিভাজন, সীমিত ইণ্টাৰনেটৰ ব্যৱহাৰ, অসমৰ ভিতৰত ভাষিক বৈচিত্ৰ্যই ব্যাপকভাৱে গ্ৰহণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে। তদুপৰি ছ'চিয়েল মিডিয়া প্লেটফৰ্মত ইংৰাজী আৰু হিন্দীৰ দৰে প্ৰধান ভাষাৰ প্ৰভাৱে অসমীয়া বিষয়বস্তুক ছাঁ দিব পাৰে, যাৰ ফলত বহল দৰ্শকৰ বাবে ইয়াক কম দৃশ্যমান কৰি তুলিব পাৰে। এই প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰি ছ'চিয়েল মিডিয়াত অসমীয়াৰ পূৰ্ণ সম্ভাৱনাক সাধন কৰিবলৈ চৰকাৰ, শিক্ষানুষ্ঠান, কণ্টেন্ট ক্ৰিয়েটৰ, ডিজিটেল প্লেটফৰ্মকে ধৰি বিভিন্ন অংশীদাৰৰ পৰা একত্ৰিত প্ৰচেষ্টাৰ প্ৰয়োজন। ডিজিটেল আন্তঃগাঁথনিত বিনিয়োগ, অসমীয়াত ডিজিটেল সাক্ষৰতাৰ প্ৰসাৰ, অসমীয়া বিষয়বস্তু সৃষ্টিকৰ্তাসকলৰ প্ৰতি সমৰ্থন আদি সামাজিক মাধ্যমত ভাষাটোৰ অবিৰত বৃদ্ধি আৰু সজীৱতা নিশ্চিত কৰিবলৈ অপৰিহাৰ্য। সামৰণিত ক'ব পাৰি যে ছ'চিয়েল মিডিয়াত অসমীয়া ভাষাৰ উত্থানে ভাষা আৰু সংস্কৃতিৰ ডিজিটেল বিৱৰ্তনৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি চিহ্নিত কৰিছে। ছ'চিয়েল মিডিয়াক প্ৰকাশ আৰু সংযোগৰ মঞ্চ হিচাপে আকোৱালি লৈ অসমীয়া ভাষীসকলে কেৱল নিজৰ ভাষিক ঐতিহ্য সংৰক্ষণ কৰাই নহয়, বিশ্বব্যাপী মঞ্চত নিজৰ পৰিচয় দৃঢ় কৰি তুলিছে। ছ'চিয়েল মিডিয়াৰ বিকাশ অব্যাহত থকাৰ লগে লগে অসমীয়া ভাষাৰ ভূমিকাও হ'ব, পৰম্পৰা আৰু আধুনিকতাৰ মাজৰ ব্যৱধান দূৰ কৰিব, আৰু অধিক সৰ্বাংগীন ডিজিটেল পৰিৱেশ তন্ত্ৰৰ পোষকতা কৰিব।

# উপলব্ধি

একেখন গাঁৱৰে বিদ্যুতক দেখি পলে চিঞৰি মাতিলে। হঠাৎ কোনে মাতিল বুলি ইফালে সিফালে চাই পলক দেখি বিদ্যুৎ চমকি উঠিল আৰু প্ৰত্যুত্তৰত ঐ বুলি কৈ ওচৰ চাপি আহিল।

পলঃ আৰে ভাই, তই ইয়াত যে! উকালতি এৰি গাঁৱত কি কৰিছহি হা?

বিদ্যুৎঃ এহ, কাম এটাত হে আহিছিলো ঔ, মাহতে মানে বিয়াৰ বাবে ছোৱালী চাব পঠাইছে। তাকে বোলো...।

পলঃ অহ হঃ। মানে এইবাৰ বন্ধু বান্ধত পৰিব। বঢ়িয়া। পাত বিয়াখন। আমি বৈ আছোঁ খাবলৈ।

বিদ্যুৎঃ ভয় হে লাগিছে জাননে...। আগতে হলে কথা বেলেগ আছিল। কত' ছোৱালী মোৰ আগে পিছে ঘুৰিল। পিছে সময়ত সকলো হেৰাই গ'ল। বহুতে মোক নাপাই চাগে কন্দিছিল ও দেহি। কিন্তু মই হে ৰৈ গলো বৰলা হৈ এই ৩৬ বছৰ বয়সলৈ।

পলঃ হয় দে, তইতো আমাৰ চকুত ছোৱালী পটোৱাত হিৰ' হৈ গৈছিলি। কিন্তু এতিয়া পিছে, কইনা পছন্দ হৈছেনে?

বিদ্যুৎঃ হওঁতে হৈছে ভাই। ছোৱালী জনী ভাল। পঢ়া শুনা, ভাল চাকৰি ও কৰে। কিন্তু কোনোবা খিনিত যেন তাই মোক শ্ৰদ্ধা নকৰে তেনে লাগে।

পলঃ কিয় ভাবিছ তেনেকৈ?

বিদ্যুৎঃ কাৰন যেতিয়া মই তাইক সুধিছিলো তাইৰ কোনোবা প্ৰেমিক আছে নেকি, তাই কলে যে অতীত খুচৰা মানুহ আৰু কুমাৰিত্ব বিশ্বাস কৰা ব্যক্তিক তাই প্ৰচণ্ড ভণ্ড আৰু প্ৰবঞ্চক বুলিয়ে ভাবে। আৰু বোলে তেনে পুৰুষৰ অতীত



প্ৰিয়ংকা চমুৱা, ঢকুৱাখনা, লখিমপুৰ

খুচৰিলে হয়তু সমাজত ৮০ শতাংশ ব্যক্তিৰ বিয়াই নহব। মই এনেকৈ কিয় কলে নুবুজিলো জাননে। আৰু চা ভাই, আমাৰ পুৰুষৰ নো স্বভাৱ, চৰিত্ৰ আৰু অতীত কোনে চাই কচোন, মাত্ৰ ভাল উপাৰ্জন কৰা হলেই হল, বয়স, চেহেৰা, চৰিত্ৰ সব টকাৰ আগত নগণ্য হৈ যায়। মোৰ টো সকলো আছে। তেন্তে... নে তাই মোৰ বিষয়ে কিবা জানে বাৰু!

পলঃ চা ভাই, সময় সলনি হৈছে। আজিকালি বহু ছোৱালীৰ বাবে যদিও টকাই সৰ্বস্ব, কিন্তু এতিয়াও বহু জনী ছোৱালীৰ বাবে সুচৰিত্ৰবান স্বামী আদৰ্শ আৰু কাম্য। আৰু হয় ও দেচুন, টকাৰে কিনা দামী বিছনা খনত আমি টোপনিৰ বাবে হাহাকাৰ কৰোঁ কিয়? বিলাসী অট্টালিকাৰ মালিক হৈও অকলে হুমুনীয়াহ কাঢ়ি কিয়! আৰু চৰিত্ৰৰ দাগ নাৰীৰ কেৱল লাগে আমি পুৰুষ বোৰ ধোৱা তুলসীৰ পাত বুলি ভবাটো কিয় উচিত কচুন, আজিকালি সকলো ছোৱালীয়ে উপাৰ্জন কৰে, চাকৰি, ব্যৱসায় সকলোতে পাৰ্গত ছোৱালী, তেন্তে তাৰপাছতো আমি সিহঁতক খুতিয়াই খুতিয়াই চাইহে বিয়া কৰাব বিচাৰিলে আপত্তি নকৰিব কিয়? যদি পুৰুষ মহিলা সকলোৰে যোগ্যতা সমান হব পাৰে, মানুহ হিচাপে ধৰণ কৰণ, অভাৱ, সুখ দুখ থাকিব পাৰে, তেন্তে বিয়াৰ বজাৰত নাৰীৰে সদায় দোষ বা গুণ বিচাৰিম কিয় আমি? কথাবোৰ সলনি হৈছে আৰু হব লাগে ও নহয়নে বিদ্যুৎ!

বিদ্যুৎঃ কথাটো নোহোৱা নহয়। কিন্তু সকলোৱে জানো এইদৰে ভাবিব পাৰিব?

পলঃ ভাবিবলৈ আৰম্ভ কৰিব লাগিব। কাৰণ প্ৰতি গৰাকী নাৰী কাৰোবাৰ জী, ভগ্নী, মা, পত্নী। আচলৰ আঁৰত লুকাই থকা হুমুনিয়াহ কোনো নাৰীৰ জন্মগত বা জীৱন লগৰী হব দিব নোৱাৰি। হাঁহিৰে জীৱনটো সজাব প্ৰতিগৰাকী নাৰীয়ে বিচাৰে। কিন্তু অন্যান্য কাৰণৰ লগতে আমাৰ দৰে এচাম পুৰুষে নাৰীক ভৱিৰ ধূলি ভাবি লোৱা বাবে নিজেও সুখী হব নোৱাৰে আৰু জীৱনলৈ অহা নাৰী সকলক সদায় উপেক্ষিত কৰি ৰাখে পাবলগীয়া মৰম সন্মানৰ পৰা কেতিয়াবা দেউতাক, ককায়েক, প্ৰেমিক, পতিৰ ৰূপত। যি পুৰুষে নিজৰ ভগ্নী, মাতৃক হিয়া উজাৰি ভালপায়, সন্মান কৰে, সুৰক্ষা দিব বিচাৰে, তেনে পুৰুষেই কিন্তু নিজৰ কামনা চৰিতাৰ্থ কৰি বহু নাৰীক পতিত কৰে, সমাজ বৰ্জিত কৰে, বিস্কুতৰ বাকলিৰ দৰে দলিয়াই পেলাই। তেন্তে সেয়া বীৰত্ব নে কাপুৰুষতা তয়ে ক বিদ্যুৎ।

বিদ্যুৎঃ তই ঠিকেই কৈছ বন্ধু। মোৰ চকু সঁচাই অজিহে মেল খালে। আজিৰ পৰা মই ও কথাবোৰ দ'কৈ ভাবি চাম জীৱনত আজিলৈকে যি ভুল কৰিলোঁ আৰু নকৰোঁ। নাৰীক মা, ভন্টি বুলি মৰম, সন্মান, আদৰে কৰিবলৈ শিকিম। নহলে কি ঠিক মোৰ ভন্টিকো কৈলৈ কোনোবাই অন্যায় কৰিব এজনী ছোৱালী বুলিয়ে...। এতিয়া যাওঁ দে বহু কাম বাকী আছে সঁচাকৈ কৰিবলৈ।

পলঃ যা বন্ধু, জীৱনটো ন'কৈ আৰম্ভ কৰগৈ।

বিদ্যুৎ যোৱাৰ পিছতো পল কিছু দেৰি তাতে ৰৈ থাকিল। তাৰ মনলৈ বহু কথাই আহিল। আজি সি যিবোৰ কথা বিদ্যুতক কলে, আচলতে কথাখিনি তাক তাৰ ভন্টি জিমলিয়ে কোৱা। বিদ্যুতৰ বহু বেয়া কৰ্মৰ কথা সি জানে। আৰু বন্ধুক এটা সু পথ দেখাবৰ বাবেই জিমলীয়ে ক্ষোভত এদিন বিদ্যুতৰ বিষয়ে কোৱা কথাখিনি সি আজি তাক ক'লে যাতে সি সলনি হয়। ইতিমধ্যে বেলি পৰিল। পলও ঘৰমুৱা হ'ল এটি মুকলি মনেৰে।

# ব্যতিক্ৰমী শিশু আৰু সমাজ

অভিভাৱক সৌভাগ্যৱান। কিয়নো তেওঁলোকে আন এখন জগতৰ শিশুৰ লগত জড়িত। তেতিয়া হ'লে এনে সন্তানক অভিভাৱক সকলে কেনেদৰে আগুৱাই নিব? প্ৰথমে ক'বলৈ গ'লে অভিভাৱক সকলৰ ধৈৰ্য লাগিব। আশাবাদী হ'ব লাগিব। সন্তানটোৰ সমস্যা সমূহৰ লগত একাত্ম হৈ মানি ল'ব লাগিব। আন শিশুৰ সৈতে তুলনা কৰিব নালাগিব।বদ্ধ কোঠাত আবদ্ধ নকৰি মুকলি মনেৰে থাকিবলৈ সুবিধা প্ৰদান কৰিব লাগিব। সম্ভৱ হ'লে সামাজিক অনুষ্ঠানত জড়িত কৰাব লাগে। যিহেতু সেই সকল শিশুৰ বুদ্ধিমত্তাৰ বিসংগতি থাকিব পাৰে বা থাকে সেয়ে শিক্ষাৰ ক্ষেত্ৰত বিশেষ প্ৰয়োজনীয় শিক্ষা বা বিশেষ কৌশল প্ৰয়োগ কৰিব লগাত পৰে। শিশুটিক সদায় উৎসাহিত কৰি ৰাখিবলৈ চেষ্টা কৰিব লাগে।বৰ্তমান এনে শিশুক বিশেষভাৱে সক্ষম শ্ৰেণীত অন্তৰ্ভুক্ত কৰিছে। গতিকে এই সকল অক্ষম নহয়। একোটা বিশেষ বিষয়ত পাৰদৰ্শিতা দেখুওৱা পৰা সামৰ্থ্য থাকে। সেয়ে অভিভাৱকৰ প্ৰধান কৰ্তব্য হৈছে সন্তানৰ সক্ষমতা টো বিচাৰি উলিওৱা। প্ৰয়োজন সাপেক্ষে বৰ্তমান জনপ্ৰিয় হৈ পৰা DMIT অৰ্থাৎ Dermatoglyphics Multiple Intelligent Test কৰাই সন্তানৰ সক্ষমতা টো বিচাৰি উলিয়াব পাৰি। মুঠতে যিকোনো প্ৰকাৰে এনে সন্তানক নিজৰ ভৰি থিয় দিব পৰা কৰিবলৈ চেষ্টা কৰাৰ ত্ৰুটি কৰিব নালাগে।

এনে শিশু সকল মৰম আকলুৱা হয়। তেওঁলোকে নিজেও আনক মৰম কৰে আৰু সেইদৰে আনৰ পৰাও মৰম বিচাৰে। সেয়ে এনে শিশুক খং নকৰি মৰমেৰে বুজাব লাগে। ডাউন চিণ্ড্ৰম থকা শিশুৰ ৰোগ প্ৰতিৰোধ ক্ষমতা কম। সেয়ে তেওঁলোকৰ স্বাস্থ্যৰ প্ৰতি সজাগ আৰু সচেতন হোৱা দৰকাৰ।

এনে শিশুৰ প্ৰতি সমাজখন কেনেদৰে দায়বদ্ধ হ'ব? সমাজে তেওঁলোকক অৱহেলা কৰিব নালাগিব। তেওঁলোকৰ চাৰিত্ৰিক বৈশিষ্টক লৈ উপলুঙা, ঠাট্টা মস্কৰা কৰিব নালাগিব।সমাজৰ তেনে ব্যক্তিৰ পৰা সন্তানক আঁতৰাই ৰাখিব লাগে। এই সকল সন্তানকো আন সকলৰ লগত একে বিদ্যালয়ত পঢ়াব লাগে। লগৰ আন আন বন্ধু বান্ধৱীৰ পৰা এনে শিশুৱে বহু কথা আয়ত্ব কৰিব পাৰে। সদৌ শেষত এনে শিশু যাতে কাৰো পুতৌপাত্ৰ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সহমৰ্মিতাৰে হাতে হাত ধৰি আগুৱাই যোৱাত সহায়ৰ হাত আগবঢ়াব লাগে।

# কলা-সংস্কৃতিপ্ৰেমী

তোলে। ডাক্তৰ প্ৰবীন কলিতা, জিতেন বৰুৱা, তিলেশ্বৰ বৰুৱা, ভুবন কলিতা অতুল বৰা, প্ৰভাত কাকতি আদিক লগত লৈ নাট্যমন্দিৰ পুনৰ নিৰ্মাণ কমিতি গঠন কৰি, দান-বৰঙনি তুলি, নিজেও অৰ্থ সাহায্য দি নাট্যমন্দিৰ পুনৰ নিৰ্মাণ কৰিছিল। নৱনিৰ্মিত নাট্যমন্দিৰত অচ্যুত লহকৰৰ 'সতীবেউলা' নাটক মঞ্চস্থ কৰোৱায়। প্ৰথমবাৰৰ বাবে বোকাখাতত ভ্ৰাম্যমান নাট্যদলে চাৰিদিনীয়াকৈ নাটক প্ৰদৰ্শন কৰিলে। তাৰ পাছৰপৰা কলা-সংস্কৃতিপ্ৰেমী মানুহজনৰ প্ৰচেষ্টাত কহিনুৰ, আৱাহন, আৰাধনা আদি ভ্ৰাম্যমান নাট্যদলে নাটক প্ৰদৰ্শন কৰিবলৈ ল'লে। নাটক মঞ্চস্থ হোৱাৰ উপৰিও বিহু, পূজা আদি অনুষ্ঠিত হোৱাৰ লগতে নানা সাংস্কৃতিক অনুষ্ঠান সেই নাট্যমন্দিৰত অনুষ্ঠিত কৰিছিল। বহুবছৰ সভাপতিৰ আসনতো আছিল। ১৯৩৭ চনৰ ৫ মে' ত জন্মগ্ৰহণ কৰা গোস্বামীদেৱে সঙ্গীতৰ প্ৰতিও অনুৰাগী আছিল। কৈশোৰ কালত তবলা বজাইছিল। খোলবাদন, সত্ৰীয়া নৃত্যবিদ্যাত পাৰ্গত মানুহ জনে নিজে খোল বজাই সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিছিল। বহুত গীত, নাটক ৰচনা কৰিছিল। নাটক পৰিচালনা কৰাৰ উপৰিও মঞ্চস্থ কৰে। লুপ্তপ্ৰায় বহু পৌৰাণিক গীত-মাত, উদ্ধাৰ কৰি সত্ৰত চৰ্চা কৰিছিল। ওচৰৰ গাঁও অঞ্চলত কলা-সংস্কৃতিৰ, গায়ন-বায়নৰ প্ৰশিক্ষণ দিছিল। নিজে লিখা নাটকত কল্যাণ খৰমান ৰাগৰ গীত ৰচনা কৰিছিল -"অভিনয় সামৰিয়া প্ৰাৰ্থনা আৰম্ভ হৈলা আমি অতি মূঢ়জন। 'প্ৰবীৰ পতন' নাটক খনত নিজেই খোলত কল্যাণ খৰমানৰ ঘাট বজাইছিল। আনন্দপুৰ চাহবাগিচা পৰিচালনা কৰিবলৈ লোৱাৰ পাছৰপৰা বাগিচাত ৰাসযাত্ৰাকে ধৰি থিয়েটাৰ আদিও পাতিবলৈ লয়। বাগিচাত বঙলাৰ চৌহদত ৰঙ্গ মঞ্চ সাজি লৈ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ কৰোৱাৰ ব্যৱস্থা কৰিছিল। ৰাসযাত্ৰাৰ ভাওনাত চাহ-মজদুৰেও অভিনয় কৰাৰ সুযোগ দিছিল । ১৯৯৩ চনৰ ৰাসযাত্ৰাত কুৰুৱাবাহীৰ যুৱক -যুৱতী সকলে ৰাসলীলা প্ৰদৰ্শন কৰে। এই ৰাসলীলাৰ সম্পূৰ্ণ খৰচ মানুহজনে বহন কৰিছিল। মানুহ জনৰ উদ্যোগতে কুৰুৱাবাহীত জন্মলাভ কৰিছিল- কুৰুৱাবাহী কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ। চন্দ্ৰমা চিনেমাহললৈ প্ৰতিখন অসমীয়া চিনেমাৰ প্ৰদৰ্শন কৰোৱাইছিল। বহু চিনেমাৰ দৃশ্যগ্ৰহণ বাগিচাত আৰু বঙলাত হৈছিল। সেই সময়ত চিনেমাৰ ইউনিট আৰু অভিনেতা-অভিনেত্ৰীৰ থকা-খোৱাৰ সুব্যৱস্থা বঙলাতে কৰি দিছিল। আজীৱন কলা-সংস্কৃতিৰ ক্ষেত্ৰত বিভিন্ন কাম-কাজ কৰি থকা মানুহ জনৰ ২০১৯ চনৰ ২৪ মে' মৃত্যু ঘটে। এই জন মানুহ উত্তৰ পুৰুষৰ বাবে আদৰ্শ হৈ ৰ'ব। জন্মদিনৰ শ্ৰদ্ধাৰ্ঘ আগবঢ়ালো।

# এদিন হেৰাই থাকিম

**যুগান্ত দাস , ভৱানীপুৰ**



এদিন হেৰাই থাকিম
নিজে নিজৰ পৰা
জীৱনৰ জড়তাৰ পৰা।
এদিন হেৰাই থাকিম
হালধীয়া সৰাপাত এখিলা হৈ
শূণ্যতাৰ সুৰ এটি
কলিজাত সাবটি।
এদিন হেৰাই থাকিম
জীৱন যন্ত্ৰণাৰ কিৰিলিবোৰ
নিজৰ কৰি
চটফটাই ধৰফৰাই।
নিচাখোৰ ৰাতিৰ নিৰৱতাৰ
অৰণ্য ভাঙি
এদিন হেৰাই থাকিম
স্বপ্নহীনতাৰ ক্ষোভত।
এদিন হেৰাই থাকিম
ক্ষুধাতুৰ চিঞৰবোৰ
ৰাজপথত হেৰাই যোৱাৰ দৰে।
এদিন হেৰাই থাকিম
নৰা পেঁপাৰ সুৰ এটি হৈ
অথবা নৈপৰীয়া
বতাহৰ উকি এটা হৈ ।



# পৃথিৱীৰ হাওঁফাওঁ সুৰক্ষিত হৈ আছেনে?

**সুনম বিশ্বাস, গোৰেশ্বৰ, তামুলপুৰ**

উদ্ভিদ কেৱল এবিধ প্ৰাকৃতিক সম্পদেই নহয়, ই আমাৰ ৰক্ষাকবচ। সালোক-সংশ্লেষণ প্ৰক্ৰিয়াত উদ্ভিদে বায়ুমণ্ডলৰপৰা কাৰ্বন-ডাই-অক্সাইড গ্ৰহণ কৰি অক্সিজেনক জীৱকুলৰ বাবে এৰি দিয়ে। এনেদৰে উদ্ভিদ আৰু প্ৰাণীৰ ভাৰসাম্যতা বৰ্তি থাকে। গছে অক্সিজেন উৎপাদন কৰাৰ লগতে জীৱমণ্ডলৰ বাবে সুস্থ নিটোল বায়ুমণ্ডলৰ সৃষ্টি কৰে। জীৱজগতখন চলি থাকিবলৈ উদ্ভিদৰ প্ৰয়োজনীয়তা কোনো কালেও নুই কৰিব নোৱাৰি সেয়েহে গছক "পৃথিৱীৰ হাওঁফাওঁ"(Earth's lungs) বুলি কোৱা হয়। আমাৰ হাওঁফাওঁ বিকল হৈ পৰিলে আমি জীয়াই থকাৰ কথা কল্পনা কৰিব নোৱাৰো। তেনেদৰে পৃথিৱীৰ হাওঁফাওঁত যি বেমাৰে দেখা দিছে নাজানো প্ৰকৃতিৰ অস্তিত্ব কিমানদিন বৰ্তি থাকিব!

গছ-গছনি শান্ত, স্থিৰ তথা সহনশীলতাৰ প্ৰতীক। সৰ্বজনবিদিত যে বায়ু অদৃশ্যমান, কিন্তু ইয়াৰ অস্তিত্ব অনুভূত। কিন্তু যান্ত্ৰিকতাৰ কৰাল গ্ৰাসত ইয়াৰ অস্তিত্ব কিমান দূৰ সুৰক্ষিত?

আমাৰ জীৱন ক্ৰমান্বয়ে যন্ত্ৰমুখী হৈ উঠিছে। এক নৱযুগৰ উত্তৰণ ঘটিছে, সেয়া হৈছে যান্ত্ৰিকতাৰ যুগ। যান্ত্ৰিকতাৰ পাকচক্ৰত আমি ইমানেই মগ্ন হৈ পৰিছোঁ যে আমাৰ সেউজ গৃহৰ কথা পাহৰি গৈছো। এচামে আভিজাত্যৰ কীৰ্তিস্তম্ভ তৈয়াৰ কৰাত ব্যস্ত হৈ পৰিছে আৰু তাৰ বাবে কাটি তহিলং কৰিছো গছ-গছনি, অৰণ্য। জীৱ-জন্তুৰ খাদ্য আৰু বাসস্থানৰ সংঘাত সৃষ্টি কৰিছে।

আমি কেতিয়াবা নিজকে প্ৰশ্ন কৰোনে? প্ৰকৃতাৰ্থত কাক কাটিছো আচলতে গছক নে আমাৰ পৃথিৱীখনক ধ্বংসৰ ৰচনা ৰচিছো? আমাৰ আয়ুস টুটিছে নিজৰ দোষতেই । ল'ৰালিত মা আৰু আইতাৰ মুখত শুনা ৰাক্ষসৰ সাধুবোৰত ৰাক্ষসৰ প্ৰাণ ভোমোৰা হেনো টেমাত ভৰোৱা আছিল তদ্ৰূপ আমাৰ প্ৰাণ ভোমোৰা গছতে আবদ্ধ। কিন্তু সেয়া আমি বুজো কিমানজনে? গোটেই বছৰ ক'মাত জীন যোৱা গছক নিৰ্দিষ্ট একোটা দিৱসত অগ্ৰোপচাৰ কৰি হ'লে সুস্থ কৰোৱা হয় কাৰণ সেইদিনাইতো কিছু তথাকথিত প্ৰকৃতিপ্ৰেমীয়ে নিজৰ প্ৰেমৰস্বৰূপ ফুটাই তুলে। 

আগলৈ..

# চছল যুৱক সংঘৰ ৩৯ তম বাৰ্ষিক

মৌ-কুঁৱৰী প্ৰতিযোগিতা আৰু বিশাল সাংস্কৃতিক শোভাযাত্ৰা, বিহুৰ পতাকা উত্তোলন আদি বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হয়। প্ৰথম দিনা প্ৰয়াত সুদীপ্ত শৰ্মা সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে অম্বিকা প্ৰসাদ শৰ্মাই। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰূপালী কাশ্যপ, বাণী মেধি আৰু জেকুলিন বুঢ়াগোহাঁইৰ মনপৰশা গীতে বিহুতলীত উপস্থিত পাঁচ সহস্ৰাধিক লোকক মন্ত্ৰমুগ্ধ কৰি তোলে। নন্দী মিকিৰ প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত চছল যুৱ সংঘ আৰু বৃহত্তম চছল বহাগী উৎসৱ সমিতিয়ে দুইটি নিশাৰ কাৰ্যসূচীৰ সফল পৰিসমাপ্তিৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে ।

# ১৪ খন আসনতে বিজেপি মিত্ৰজোঁট

মাফিয়াৰাজেই লাগে। প্ৰিয়ংকা গান্ধী-ৰাহুল গান্ধী অসমত নচলে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰু কয় যে তেওঁলোকৰ এতিয়া ম্যাদ উকলি গৈছে। আনকি তেওঁৰ গোলকগঞ্জৰ নিৰ্বাচনী প্ৰচাৰ সভাখনত যিমান মানুহ গোট খাইছে সিমান মানুহ প্ৰিয়ংকা গান্ধীয়ে ধুবুৰী লোকসভাক লৈ অনুষ্ঠিত কৰা সভাখনতো গোট খোৱা নাছিল। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীৰ ভাষণৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোলকগঞ্জৰ নিৰ্বাচনী প্ৰচাৰ সভাখনত কয় যে প্ৰিয়ংকা গান্ধীয়ে ধুবুৰীলৈ আহি অৰুণোদয় আঁচনিখন বেয়া বুলি ক'লে। আজিৰ কংগ্ৰেছৰ মানুহে ভালটোও বেয়া দেখে, বেয়াটোক ভাল দেখে। কংগ্ৰেছৰ দিনত অসমত বোমা বিস্ফোৰণ, গুলী-বাৰুদ আৰু আন্দোলন আছিল। খাটিখোৱা মানুহে কাম কৰিব নোৱাৰিছিল। অসমখনত একো শান্তি নাছিল। বিজেপি চৰকাৰে অসমত সম্পূৰ্ণৰূপে শান্তি প্ৰতিষ্ঠা কৰিলে। এতিয়া অসমত বোমা বিস্ফোৰণ, গুলী-বাৰুদ, আন্দোলন নাই। কংগ্ৰেছে ১৫ বছৰীয়া শাসনকালত কেৱল ধুতী-লুঙী, সূতা, আঁঠুৱা আৰু কম্বল বিতৰণ কৰিলে। তেওঁলোকে চাকৰি দিয়া নাছিল, উদ্যোগ অনা নাছিল, কৰ্মসংস্থাপন দিয়া নাছিল।

# পশ্চিমবংগত বিশাল নিৰ্বাচনী সমাৰেশ

এইবেলি নিৰ্বাচনত কংগ্ৰেছ দলে ৫০ খনো আসন নাপায় বুলি কয়। তদুপৰি পশ্চিমবংগত শাসকীয় তৃণমূল কংগ্ৰেছে কিমানখন আসন পাব, সেই সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃণমূল কংগ্ৰেছে ১৫ খনতকৈ অধিক আসন নাপায় বুলি দাবী কৰি বিৰোধীয়ে কিদৰে চৰকাৰ গঠন কৰিব বুলি সমালোচনা কৰে। সন্দেশখালীত কি ঘটিছে, কি উদ্ধাৰ হৈছে সেই সকলোবোৰ ৰাজ্যবাসীয়ে দেখিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ কাৰ্যকালত শান্তি-শৃংখলা নিম্নগামী হৈছে বুলি সমালোচনা কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। ইপিনে 'কা' সন্দৰ্ভত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক সমালোচনা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়- মতুৱাৰ ন্যায় বিচাৰৰ কাৰণে আমাৰ চৰকাৰে 'কা' আনিছে। সকলোৱে ভাবিছিল তৃণমূল কংগ্ৰেছে সমৰ্থন কৰিব। কিন্তু তেওঁলোকে ভোটবেংকৰ ৰাজনীতি কৰিছে। 'কা'ৰ বিৰোধিতা কৰিছে। তৃণমূলে এটা কথা জনা উচিত যে 'কা' তেওঁলোকে বন্ধ কৰিব নোৱাৰে। মতুৱাই সকলো চৰকাৰী প্ৰকল্পৰ সুবিধা পাব। কোনেও বন্ধ কৰিব নোৱাৰে। বংগৰ শাসকীয় চৰকাৰক সমালোচনা কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে দৰিদ্ৰৰ ৰেচনো তৃণমূলে এৰা নাই। সকলোতে দুৰ্নীতি। তৃণমূল তথা ইণ্ডিজোঁটৰ ওপৰত নাগৰিকৰ আস্থা হেৰাইছে।

# ঝাৰখণ্ডৰ পালামু আৰু গুমলাত

সন্ত্ৰাসবাদীৰ পৃষ্ঠপোষকলৈ প্ৰেমপত্ৰ প্ৰেৰণ কৰিছিল। পাকিস্তানে সেই প্ৰেমপত্ৰতকৈ অধিক সন্ত্ৰাসবাদী প্ৰেৰণ কৰিছিল। আপোনালোকৰ প্ৰতিটো ভোটেই অতি শক্তিশালী। মই কৈছোঁ যে যথেষ্ট হৈছে। এতিয়া নতুন ভাৰত। ঘৰত সোমাই মাৰিম। ছাৰ্জিকেল আৰু বালাকোটৰ আক্ৰমণত পাকিস্তান হতচকিত হৈছিল। এটা সময় আছিল সন্ত্ৰাসবাদীয়ে আক্ৰমণ কৰাৰ পাছত দুৰ্বল কংগ্ৰেছ চৰকাৰে বিশ্বজুৰি কান্দি ফুৰিছিল। এতিয়া পাকিস্তানে বিশ্বজুৰি বচাওক বচাওক বুলি কান্দি ফুৰে। পাকিস্তানৰ নেতাই কংগ্ৰেছৰ শ্বেহজাদাক প্ৰধানমন্ত্ৰী হোৱাটো বিচাৰে। কিন্তু শক্তিশালী ভাৰতে এতিয়া শক্তিশালী চৰকাৰ বিচাৰে। ৰাজ্যখনক শ্বহীদ নীলাম্বৰ পীতাম্বৰৰ ভূমি বুলি আখ্যা দি ২০১৪ চনত ৰাজ্যখনৰ প্ৰতিটো ভোটেই দেশৰ হকে কাম কৰিছে আৰু ভাৰতৰ গণতন্ত্ৰক বিশ্বই ছেল্যুট জনাইছে। আপোনালোকে কংগ্ৰেছৰ দুৰ্নীতিগ্ৰস্ত চৰকাৰক উৎখাত কৰিছে। আপোনালোকৰ প্ৰতিটো ভোটৰ মূল্যক গুৰুত্ব দিয়ক। এই প্ৰতিটো ভোটেই জম্মু-কাশ্মীৰৰ পৰা অনুচ্ছেদ ৩৭০ প্ৰত্যাহাৰ কৰাৰ সুযোগ দিছিল। সন্ত্ৰাসবাদ আঁতৰোৱাত সুযোগ দিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পালামু আৰু গুমলাত বিজেপিৰ প্ৰাৰ্থী বি ডি ৰাম আৰু অৰ্জুন মুণ্ডাৰ হৈ প্ৰচাৰ চলায়।

# ধুবুৰীবাসীক বদৰুদ্দিন আজমলে

কাম, ধুবুৰী মেডিকেল কলেজ, ধুবুৰী জাহাজঘাট, ৰূপসী বিমানবন্দৰৰ কাম মোদী চৰকাৰৰ দিনতে হৈছে বুলি কয় কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সভাখনত উপস্থিত হোৱা ৰাইজক নৰেন্দ্ৰ মোদীৰ হাত শক্তিশালী কৰাৰ বাবে বিজেপি মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী জাবেদ ইছলামক ভোট দিয়াৰ বাবে আহ্বান জনায়। সৰ্বানন্দ সোণোৱালে কয় যে এআইইউডিএফ আৰু কংগ্ৰেছ এই দুয়োটা দলৰ প্ৰাৰ্থীক ভোটত জিকালে ধুবুৰীবাসীৰ কিন্তু কোনো লাভ নহ'ব। ভ্ৰষ্টাচাৰ আৰু দুৰ্নীতিত এআইইউডিএফ আৰু কংগ্ৰেছ দুয়োটা দলেই সমানে পাৰ্গত। তেওঁ লগতে কয়, 'আমাক লাগে এখন স্বচ্ছ আৰু উন্নত ভাৰত। আৰু সেয়া নৰেন্দ্ৰ মোদীৰ নেতৃত্বতে সম্ভৱ। নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতবৰ্ষই বিকাশৰ পথত আগবাঢ়িছে। দেশ বচাবলৈ হ'লে আগতে নৰেন্দ্ৰ মোদীক এইবাৰৰ লোকসভা নিৰ্বাচনত জয়ী কৰাব লাগিব। তেতিয়াহে সুস্থ গণতন্ত্ৰৰ চৰকাৰ দেশত বৰ্তি থাকিব।' উক্ত সভাখনত আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, ৰমেন ডেকা সমন্বিতে অগপ দলৰ নেতৃত্বয়ো অংশ লয়।

# নুনমাটিৰ শালবাৰীত

দিনৰ ১২ বজাত ভেশচন প্ৰতিযোগিতা মুকলি কৰে চবিন কাকতিয়ে, ৪.৩০ বজাত সাজপাৰ প্ৰতিযোগিতা উদ্বোধন কৰে ৰাখি বৰাই। সন্ধ্যা ৫.৩০ বজাত কমল কলিতাৰ সভাপতিত্বত বিহুৰ সম্ভাষণ প্ৰদান আৰু মুকলি সভাত অংশ লৈ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য তথা সাংবাদিক দীপক শৰ্মাই কয়- বাপতি সাহোন ৰঙালী বিহু যুগে-যুগে থাকিব। অসমীয়া ভাষাৰ কোনোকালে মৃত্যু নহয়। কবি, সাহিত্যিক, শিল্পীসকলৰ মানবীয়তাৰ এক দিশ উল্লেখ কৰে। সন্মিলনৰ সাংস্কৃতিক বিভাগৰ সভাপতি বুদ্ধেশ্বৰ দাসে সাবলীল ধৰণেৰে আঁত ধৰা অনুষ্ঠানত বিশিষ্টা সমাজকৰ্মী, প্ৰাক্তন ডেপুটী মেয়ৰ বিজুলী কলিতা মেধিয়েও অংশ লয়। সভাত সন্মিলনৰ কাৰ্যকৰী সভাপতি তনুৰাম ডেকা, সাধাৰণ সম্পাদক প্ৰাঞ্জল ডেকা, কোষাধ্যক্ষ মুকুল বায়ন, পল্লবী বৰা হাজৰিকা, জিতেন দাস প্ৰভৃতিয়ে অংশ লয়। ইয়াৰ পিছতে মনোৰম সাংস্কৃতিক অনুষ্ঠানত সুকণ্ঠৰ শিল্পী দিগন্ত ভাৰতী, ভাস্বতী ভাৰতীয়ে গীত পৰিৱেশন কৰাৰ লগতে বাৰেৰহণীয় কৃষ্টি-সংস্কৃতি পৰিৱেশন কৰা হয়।

# গুৱাহাটীত এবিভিপি

ওপৰত ব্যক্তব্য ৰাখে। এই শিবিৰত বিশেষকৈ হাইস্কুল বা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ছাত্ৰ বা ছাত্ৰী গৰাকীয়ে কেনেদৰে পঢ়িব, নেতৃত্বৰ বিকাশ, লিখনি লিখন, বক্তৃতা প্ৰদান আদিৰ ওপৰত ছাত্ৰ ছাত্ৰী সকলক প্ৰশিক্ষণ প্ৰদান কৰা হ'য়। ইন্টাৰভিউ এটাত আমি কেনেদৰে মুখামুখি হ'ব লাগে, সামূহিক ভোজন, অসম আৰু ভাৰতৰ গৌৰৱময় ইতিহাস আদি বোৰ আছিল এই ব্যক্তিত্ব বিকাশ শিবিৰৰ কেন্দ্ৰবিন্দু। আজি অন্তিম দিনটোত ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় (এন এল ইউ), আই আই টি, এন ই ডি এফ আইৰ দৰে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান সমূহলৈ লৈ যোৱা হয় আৰু তাত থকা বিশেষজ্ঞ সকলক সৈতে মতবিনিময় কৰাৰ সুবিধা কৰি দিয়া হয়। নেডফিৰ সঞ্চালক এছ.ভি.এল.এন. মূৰ্তিয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগী হ'বলৈ উৎসাহিত কৰাৰ লগতে সকলোকে এই শিবিৰত অংশগ্ৰহণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। সামৰণিৰ এই কাৰ্যসূচীত মহানগৰ মন্ত্ৰী শ্ৰী স্বপ্নীল হালৈ, ব্ৰহ্মপুত্ৰ জিলা সাংগঠনিক সম্পাদক বৰ্ষা গোহাঁই, ব্ৰহ্মপুত্ৰ শাখা সম্পাদক ভাৰ্গৱ দাস, বি. বৰুৱা মহাবিদ্যালয় গোটৰ সম্পাদিকা চয়নিক পাঠক বিশেষ ভাৱে উপস্থিত থাকে।

# কলাক্ষেত্ৰত প্ৰয়াস

অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলে বাবে উদ্যোক্তাসকলে তেওঁক বাসগৃহত বঁটা প্ৰদান কৰিব বুলি জনায়। আনহাতে নৃত্যগুৰু ৰামকৃষ্ণ তালুকদাৰে 'শ্ৰেষ্ঠ শ্ৰী কলানিধি' সন্মান গ্ৰহণ কৰি তেওঁ এই সন্মানৰ বাবে উদ্যোক্তাসকলক ধন্যবাদ জনোৱাৰ লগতে এই সন্মানৰ বাবে তেওঁৰ গুৰু সকলক কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰয়াস কলাকেন্দ্ৰৰ সম্পাদক তথা সত্ৰীয়া নৃত্যশিল্পী ডিম্পী বৈশ্যৰ নৃত্য প্ৰতিভাৰ গুণানুকীৰ্তন কৰে। অনুষ্ঠানত নৃত্যাচাৰ্য যতীন গোস্বামীয়ে বন্তি প্ৰজ্জলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা অনুষ্ঠানত সংগীত নাটক একাডেমীৰ উত্তৰ-পূৱ কেন্দ্ৰৰ সঞ্চালক ড° অৰূপ বৰদলৈ, অসম সত্ৰ মহাসভাৰ সচিব পংকজ শইকীয়া, নৃত্যগুৰু গোবিন্দ শইকীয়া, জ্যেষ্ঠ সাংবাদিক অতুল দত্ত, বিশিষ্ট নৃত্যশিল্পী অনিতা শৰ্মা, ড° মনিষা দেৱী গোস্বামী, ৰুমী তালুকদাৰ প্ৰয়াস কলাকেন্দ্ৰৰ উপ-সভাপতি সৰোজনী বৈশ্যৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত কেইবাগৰাকী শাস্ত্ৰীয় নৃত্য শিল্পীয়ে অনুষ্ঠান পৰিৱেশন কৰে। আয়োজক সকলৰ প্ৰয়াস কলাকেন্দ্ৰৰ সম্পাদক, বিশিষ্ট নৃত্যশিল্পী ডিম্পী বৈশ্য অনুষ্ঠানত উপস্থিত সকলোৰে শলাগ লয়।

# ভোটাৰক আকৰ্ষণ

নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে ৰিলায়েন্স গ্ৰুপক আহ্বান জনায়। ভোটাৰৰ মাজত সজাগতা সৃষ্টি কৰাৰ বাবে কিছুমান বিশেষ পদক্ষেপ গ্ৰহণৰ বাবে বৈঠকত ৰিলায়েন্সৰ তৰফৰ পৰা সন্মতি প্ৰদান কৰা হয়। এই অনুসৰি ভোটদান অনুষ্ঠিত হে যোৱাৰ পিছত আঙুলিত ভোট প্ৰদানৰ চিহ্ন থকা প্ৰতিজন ক্ৰেতাকে কোনো সামগ্ৰী ক্ৰয়ৰ বিনিময়ত ৰিলায়েন্সে ৰেহাই দিব। শ্ব'পিং মলৰ ভিতৰ আৰু বাহিৰত বিভিন্ন ডিজাইনত ভোটাৰক আকৰ্ষিত কৰিব পৰাকৈ তেওঁলোকৰ তৰফৰ পৰা বেনাৰ-পোষ্টাৰ আদি লগাব। মলত ব্যৱহাৰ কৰা মিউজিক ছিষ্টেমত ভোটাৰ সজাগতাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব। ইয়াৰ উপৰি ছ'চিয়েল মিডিয়াতো ভোটাৰক ভোটদানৰ বাবে সজাগতাৰ সৃষ্টি কৰিব। উক্ত বৈঠকত ৰিলায়েন্সৰ বিষয়-ববীয়াসকলৰ উপৰি অসমৰ নিৰ্বাচন বিভাগৰ যুটীয়া সচিব পংকজ চক্ৰৱৰ্তী আৰু যুটীয়া মুখ্য নিৰ্বাচনী বিষয়া এমিলী বৰুৱা উপস্থিত থাকে।

# ENGLISH NEWS SECTION

## Governor attends Classical Dance Festival

Guwahati, RB News- Assam Governor Shri Gulab Chand Kataria attended the Classical Dance Festival and Arangetram ceremony held at Pragjyoti ITA Centre for Performing Arts in the city. It may be noted that the classical dance festival was organised by Pushpanjali Cultural Academy to present a kaleidoscope of classical dance forms from across the nation. Speaking on the occasion, Governor Shri Kataria said, "Indian classical dance forms are a symbol of the cultural identity of our country which




dates back to centuries." He said that classical dance forms are the media of artistic expressions through which various stories, cultural and religious themes are expressed. He also said that Indian classical dance is a beautiful and captivating art form that has been passed down for generations. There are several beautiful classical dance forms in India. Each of the dance forms represents the country's rich cultural heritage. Cultural relations between different countries of the world are being developed through global exchange programmes and developing cultural relations. Lauding the exponents of different classical dance forms, the Governor said that their contributions have led to promoting and propagating Indian folk art and culture across the country and outside.

## Match officials for T20 World Cup 2024 announced



RB News- The ICC on Friday announced the 26 match officials (20 umpires and six match referees) for the first round of the T20 World Cup 2024. Indian umpire Jayaraman Madanagopal will make his debut at a T20 World Cup. Meanwhile, umpire Nitin Menon has also been included. Indian match referee Javagal Srinath also features on the list.

## Raj Bhavan Assam celebrates Statehood day of Gujarat and Maharashtra




Guwahati, RB News- Raj Bhavan, Assam under the leadership of Governor Shri Gulab Chand Kataria on Wednesday celebrated the Statehood Day of Gujarat and Maharashtra at a solemn programme held at Assam Royal Global University auditorium. It may be noted that as a part of the initiative taken by the Government of India to reinforce the unity and integrity of the nation and the rich tapestry of its culture, Raj Bhavans across the country are observing the statehood days of the States and Union Territories. Therefore, Raj Bhavan, Assam celebrated the Gujarat and Maharashtra Statehood days on Wednesday commemorating the formation of the states of Gujarat and Maharashtra. Speaking on the occasion as the Chief Guest, Governor Shri Kataria said that the primary objective of the celebration of statehood days is to honor and commemorate the diverse cultural heritage and unity of India. He also said,"It is incumbent upon us to recognize and appreciate the fundamental essence of our country, where every individual is an integral part of the country, with the core responsibility of upholding the honor of Maa Bharti. Though our cultures, attire, culinary preferences etc may vary, we are all children of Maa Bharti".

## English Cricketer Josh Baker Passes Away At The Age Of 20



RB News- Josh Baker, a left-arm spinner for Worcestershire, has shockingly passed away at the age of 20. Baker, who played 22 first-class matches and took 43 wickets, signed his first contract with Worcestershire at age 17 in 2021. The cricket club announced this tragic development in a statement on social media. The player had grabbed everyone's attention with his brilliant bowling on the cricket field a day before his death. Due to the death of this player, the entire cricketing world is in mourning.

## West Indies announce 15-member squad for T20 World Cup 2024




RB News- Cricket West Indies on Friday, May 3 announced their 15-member squad for the upcoming T20 World Cup 2024, set to be played at their home and the United States of America (USA) in June. While Rovman Powell, the side has seen the return of Shimron Hetmyer after he missed the T201 series against Australia.

## Igor Stimac announces India's 26 players for Bhubnaeswar camp



RB News- India coach Igor Stimac announced the first list of 26 probable participants for the Bhubaneswar camp. The team will prepare for the FIFA World Cup 2026 Preliminary Joint Qualification Round 2 matches against Kuwait and Qatar. The list released by Igor Stimac includes four I-League players as well including Muhammad Hammad, Edmund Lalrindika, David Lalhlansanga, and Lalrinzuala.

# উবেৰ কাপৰ কোৱাৰ্টাৰত ভাৰতক পৰাস্ত কৰে জাপানে



ৰঙিলী বাৰ্ত্তাসেৱা- চীনত চলি থকা উবেৰ কাপৰ কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ আগশাৰীৰ শ্বাটলাৰৰ বিপক্ষে যুঁজ দি হাৰিল দুই অসম কন্যা অস্মিতা চলিহা আৰু ঈযাৰাণী বৰুৱা। কোৱাৰ্টাৰ ফাইনেল মেচখনত ভাৰতে জাপানৰ হাতত ৩-০ ৰ ব্যৱধানত পৰাস্ত হয়। ভাৰতীয় দলটোক নেতৃত্ব দিয়া অসমৰ আগশাৰীৰ শ্বাটলাৰ অস্মিতাই প্ৰথমখন মেচত ভাগ লয় যদিও বিশ্বৰ একাদশ বাছনিৰ আয়া অ'হ'ৰিৰ হাতত কঠিন যুঁজৰ অন্তত পৰাস্ত হয়। ৬৭ মিনিটৰ মেচখনত অস্মিতাই ১০-২১, ২২-২০, ১৫-২১ গেমত পৰাস্ত হয়। ইফালে অসমৰ ২০ বছৰীয়া ঈযাৰাণীয়েও ২০১৭ চনৰ বিশ্ব চেম্পিয়ন তথা প্ৰাক্তন শীৰ্ষ বাছনিৰ ন'জ'মি অ'কুহাৰাৰ হাতত ১৫- ২১, ১২-২১ গেমত পৰাস্ত হয়। আনহাতে ডাবলছ মেচখনত প্ৰিয়া ক'নজেংবাম- শ্ৰুতি মিশ্ৰ যুটীয়ে পৰাস্ত হোৱাত ভাৰতে কোৱাৰ্টাৰত অভিযান সামৰে।

# আইচিচিক নতুন প্ৰস্তাৱ পাকিস্তান ক্ৰিকেট ব'ৰ্ডৰ

ৰঙিলী বাৰ্ত্তাসেৱা- পাকিস্তানত ২০২৫ চনত হ'বলগীয়া চেম্পিয়নছ ট্ৰফীত খেলিবলৈ আপত্তি কৰিছে ভাৰতে। এনে পৰিস্থিতিত পাকিস্তান ক্ৰিকেট ব'ৰ্ডে ভাৰতক পতিয়ন নিয়াবলৈ আপ্ৰাণ চেষ্টা চলাইছে। প্ৰতিযোগিতাখন পাকিস্তানতে আয়োজন কৰাৰ বাবে পাকিস্তান ক্ৰিকেট ব'ৰ্ডে বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থা আইচিচিলৈ প্ৰেৰণ কৰিছে নতুন প্ৰস্তাৱ। সমগ্ৰ প্ৰতিযোগিতাখনত ভাৰতীয় দলটোক এখন চহৰতে ৰখাৰ পৰিকল্পনা কৰিছে পিচিবিয়ে। পাকিস্তান ক্ৰিকেট ব'ৰ্ডৰ লক্ষ্য হৈছে সুদীৰ্ঘ ১৭ বছৰৰ মূৰত প্ৰথমবাৰৰ বাবে ভাৰতীয় ক্ৰিকেট দলটোৰ পাকিস্তান ভ্ৰমণ সম্ভৱ কৰি তোলা। দুসপ্তাহ ধৰি অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখন আয়োজন কৰাৰ বাবে পিচিবিয়ে কৰাচী, ৰাৱালপিণ্ডি আৰু লাহোৰক স্থান হিচাপে বিবেচনা কৰিছে। টীম ইণ্ডিয়াক এখন চহৰতে ৰখাৰ ব্যৱস্থা কৰিলে নিৰাপত্তাৰ চিন্তা হ্ৰাস কৰাৰ চিন্তা-চৰ্চা কৰিছে আয়োজক পাকিস্তানে। পিচিবিৰ অধ্যক্ষ মহছিন নাকভীয়ে চলিত সপ্তাহৰ আৰম্ভণিতে কৈছিল যে তেওঁলোকে এখন খচৰা প্ৰস্তুত কৰিছে আৰু ইয়াক আইচিচিলৈ প্ৰেৰণ কৰিছে। খচৰাখনৰ ওপৰত কেতিয়াও আলোচনা হোৱা নাই আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ব ভাৰতীয় দলটোৱে পাকিস্তান ভ্ৰমণ কৰিব নে নকৰে। উল্লেখ্য যে টীম ইণ্ডিয়াই ২০০৮ চনৰ এছিয়া কাপৰ পিছত পাকিস্তানত খেলা নাই। কৰাচীত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত নাকভিয়ে আশা ব্যক্ত কৰে যে ৮ টা দলৰ আটাইকেইটাই প্ৰতিযোগিতাখনৰ বাবে পাকিস্তান ভ্ৰমণ কৰিব। ১৯৯৬ চনৰ বিশ্বকাপত ভাৰত আৰু শ্ৰীলংকাৰ সৈতে সহ আয়োজক হোৱাৰ পিছত পাকিস্তানে আয়োজন কৰিবলগা এইটোৱেই প্ৰথম আইচিচি অনুষ্ঠান হ'ব। ২০০৮ চনত পাকিস্তানে চেম্পিয়নছ ট্ৰফী আয়োজন কৰাৰ কথা আছিল কিন্তু প্ৰতিযোগিতাখন পিছুৱাই দিয়া হয়। তাৰ পিছত নিৰাপত্তাজনিত কাৰণত প্ৰতিযোগিতাখন দক্ষিণ আফ্ৰিকালৈ স্থানান্তৰ কৰা হয়। পিচিবিৰ সূত্ৰ অনুসৰি তেওঁলোকে আইচিচিক জনাইছে যে ভাৰতে ইচ্ছা কৰিলে গ্ৰুপ পৰ্যায়ৰ সকলো মেচ এখন খেলপথাৰতে খেলিব পাৰে। পিছত নক আউটত প্ৰৱেশ কৰিলে আন এখন খেলপথাৰত খেলিবলৈ যাব লাগিব। ভাৰতীয় দলটোৰ বাবে কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হ'ব আৰু দলটোক ষ্টেডিয়ামৰ সমীপৰ এখন হোটেলতে ৰখা হ'ব বুলিও ব'ৰ্ডৰ বিষয়াগৰাকীয়ে কয়।

# পৰিছ অলিম্পিকলৈ সাত ভাৰতীয় শ্বাটলাৰৰ যোগ্যতা অৰ্জন

ৰঙিলী বাৰ্ত্তাসেৱা- অহা জুলাই- আগষ্টত পেৰিছত অনুষ্ঠিত হ'বলগীয়া বিশ্ব ক্ৰীড়াৰ সৰ্ববৃহৎ প্ৰতিযোগিতা পেৰিছ অলিম্পিকলৈ ভাৰতৰ সাতগৰাকী বেডমিন্টন খেলুৱৈয়ে নিজৰ ৰেংকিঙৰ ভিত্তিত পাঁচটা ইভেন্টৰ বাবে যোগ্যতা অৰ্জন কৰিছে। আগন্তুক অলিম্পিকত সকলোৰে দৃষ্টি নিবদ্ধ থাকিব পি ভি সিন্ধুৰ ওপৰত। অলিম্পিকত দুবাৰকৈ পদক জয়ী সিন্ধুৰ লক্ষ্য হ'ল পেৰিছ অলিম্পিকত পুনৰ পদক জয় কৰাৰ। সিন্ধুৰ উপৰি বিশ্বৰ প্ৰাক্তন শীৰ্ষ বাছনিৰ এইচ এছ প্ৰণয় আৰু লক্ষ্য সেনে ছিংগলছ ইভেন্টত পেৰিছ অলিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰিব। আনহাতে সাত্বিকসৈৰাজ ৰনকিৰেড্ডী আৰু চিৰাগ শেট্টীয়ে পুৰুষ ডাবলছত তথা অশ্বিনী পোনাপ্পা আৰু তানিছা ক্ৰাষ্টো যুটীয়ে মহিলাৰ ডাবলছত ভাৰতক প্ৰতিনিধিত্ব কৰিব। উল্লেখ্য যে জুলাই-আগষ্টত অনুষ্ঠিত হ'বলগীয়া পেৰিছ অলিম্পিকৰ বাবে ৩০ এপ্ৰিলৰ ভিতৰত ৰেংকিং নিৰ্ধাৰণ কৰা হৈছিল। ৰেংকিঙৰ শীৰ্ষ ১৬ গৰাকী শ্বাটলাৰে অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰাৰ সুযোগ লাভ কৰে। ৰেংকিঙৰ ভিত্তিত ভাৰতীয় বেডমিন্টন খেলুৱৈসকলে অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

# ভাৰতক আঁতৰাই টেষ্ট ৰেংকিঙৰ শীৰ্ষ স্থানত অষ্ট্ৰেলিয়া

ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থাটোৱে আইচিচিৰ বাৰ্ষিক ৰেংকিং তালিকা প্ৰকাশ কৰিলে। দীৰ্ঘদিন ধৰি টেষ্ট ৰেংকিঙৰ শীৰ্ষ স্থান দখল কৰি থকা ভাৰতীয় ক্ৰিকেট দলটোৰক শীৰ্ষ স্থানৰ পৰা আঁতৰাই শীৰ্ষ স্থান দখল কৰিছে অষ্ট্ৰেলিয়াই। অৱশ্যে এদিনীয়া আৰু টি-২০ ৰ দলীয় ৰেংকিঙত শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিছে টীম ইণ্ডিয়াই। শুকুৰবাৰে প্ৰকাশ কৰে আইচিচিৰ দলীয় ৰেংকিং তালিকাৰ বাৰ্ষিক আপডেট। তাত অষ্ট্ৰেলিয়াই ৩০ খন টেষ্টত ৩৭১৫ পইন্ট লাভ কৰি টেষ্ট ৰেংকিঙৰ শীৰ্ষ স্থানটো দখল কৰে। অষ্ট্ৰেলিয়াৰ ৰেটিং পইন্ট হৈছে ১২৪। ভাৰতে ১২০ পইন্ট ৰেটিং পইন্টৰে দ্বিতীয় স্থানত আছে। ৰোহিত শৰ্মা বাহিনীয়ে ২৬ খন টেষ্টৰ পৰা ৩১০৮ পইন্ট সংগ্ৰহ কৰিছে।




তৃতীয়ৰ পৰা পঞ্চম স্থানত আছে ক্ৰমে ইংলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ড। পাকিস্তানে ষষ্ঠ স্থানলৈ অৱনমিত হৈছে। বিগত বছৰৰ জুনত টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াৰ হাতত পৰাস্ত হোৱাত বাৰ্ষিক ৰেংকিঙত প্ৰভাৱ পৰে। অৱশ্যে টি-২০ আৰু এদিনীয়াত শীৰ্ষস্থানটো নিজৰ দখলতে ৰাখিছে ভাৰতে। এদিনীয়াত তেওঁলোকৰ ৰেটিং পইন্ট হৈছে ১২২। আনহাতে টি-২০ত ২৬৪ ৰেটিং পইন্ট। টি-২০ত দ্বিতীয় স্থানত আছে অষ্ট্ৰেলিয়া। তৃতীয় স্থানলৈ অৱনমিত হ'ল ইংলেণ্ড। দুটা স্থান আগুৱাই দক্ষিণ আফ্ৰিকাই চতুৰ্থ স্থানলৈ উন্নীত হয় যদিও এটা স্থান পিছুৱাই পঞ্চমলৈ অৱনমিত হয় নিউজিলেণ্ড।

# ৰাজস্থানৰ বিৰুদ্ধে ১ ৰানত জয়লাভ ছানৰাইজাৰ্ছৰ

ৰঙিলী বাৰ্ত্তাসেৱা- চলিত আইপিএলৰ হায়দৰাবাদত অনুষ্ঠিত মেচখনত ছাইৰাইজাৰ্ছ হায়দৰাবাদৰ হাতত ১ ৰানত পৰাস্ত হৈ ৰাজস্থান ৰয়েলছে। মেচখনত বিজয় সাব্যস্ত কৰি ছানৰাইজাৰ্ছে ১০ খন মেচৰ পৰা ১২ পইন্ট সংগ্ৰহ কৰি পইন্ট তালিকাৰ চতুৰ্থ স্থানত আছে। বিপৰীতে ১০ খন মেচৰ পৰা ১৬ পইন্ট অৰ্জন কৰি শীৰ্ষ স্থানত আছে ৰাজস্থান। মেচখনত ছানৰাইজাৰ্ছে জয়ৰ বাবে বান্ধি দিয়া ২০২ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি ৰিয়ান পৰাগৰ ৭৭ আৰু জয়ছোৱালৰ ৬৭ ৰানৰ সহায়ত ৰাজস্থানে নিৰ্ধাৰিত ২০




অভাৰত ৭ উইকেটত ২০০ ৰান কৰে। জ'ছ বাটলাৰ আৰু অধিনায়ক সঞ্জু ছেমছনে কোনো ৰান নকৰাকৈ বিদায় লয়। মেচখনৰ অন্তিমটো বলত জয়ৰ বাবে ৰাজস্থানক ২ ৰানৰ প্ৰয়োজন হৈছিল যদিও ভুবনেশ্বৰ কুমাৰে ৰ'ভমান পাৱেলক এলবিডব্লিউ কৰি ছানৰাইজাৰ্ছক ৰোমাঞ্চকৰ জয়ৰ সোৱাদ দিয়ে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি নীতিশ কুমাৰ ৰেড্ডীৰ ৪২ বলত অপৰাজিত ৭৬, ট্ৰেভিছ হেডৰ ৫৮ আৰু ক্লাছেনৰ ১৯ বলত অপৰাজিত ৪২ ৰানৰ সহায়ত ছানৰাইজাৰ্ছে নিৰ্ধাৰিত ২০ অভাৰত, উইকেটত ২০১ ৰান কৰে।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286